# বিজ্ঞান বাৰ্তা

## ASSAM SCIENCE SOCIETY

Vol-2 | Issue-3 | May – June | a Bimonthly newsletter

# BIGYAN BARTA

2025




## কেন্দ্ৰীয় সমিতি আৰু শাখাৰ বা-বাতৰি







Phone :+9160013-99315 e-mail: gsass2014@gmail.com

BIGYAN
BARTA

# TABLE OF CONTENTS

Editorial .................................................... 01
Executive committee.......................................02
Observance of Day Against
Superstitious Beliefs .. . ..................................06
Science Popular Talk.......................................08
Preety Sabha and Charge
handover to new executive..............................09
Group Photo....................................................11
State executive meeting (First)........................13
Application of digital platform.........................14
Science awareness programme........................15
International Day for
Biological Diversity..........................................16
Obituary............................................................20
Rural Science Fair............................................21
World Environment Day...................................23
State executive meeting (2nd)..........................75
Visit by Honorable Education
minister of Assam, Dr. Ranuj Pegu ...............77
Field visit.........................................................79
Asset management committee
meeting(online).................................................80
Asset management committee
meeting(Offline)................................................82
Advisor -committee meeting......... ...........83
Letter from Secretary......................................87
About Jatiya Bigyan Punji .......... ............88

# EDITORIAL BOARD

**Advisors :**
Sri Basanta Deka
Dr. Arup Kumar Misra
Dr. Amal Chandra Dutta
Dr. Jaideep Baruah
Sri Romen Gogoi
Sri Abhijit Sarma Boruah








**Chief Editor :**
Nirud Kumar Borah



**Editor :**
Pankaj Kumar Boruah



**Members:**
Sri Arup Kumar Dutta
Sri Bhupen Sarma
Dr. Kandarpa Kr. Sarma
Sri Tridip Sarma
Sri Biman Handique







**Title page design & Graphics:** Nirud Kumar Borah

**Publisher :**
Mrinal Kumar Hazarika
Secretary, Assam Science Society,
Khanapara,
Jawahar Nagar, Guwahati 781022

BIGYAN BARTA

২০২৪ চনৰপৰা প্ৰকাশিত

EDITORIAL

বিজ্ঞান বাৰ্তা

Vol-2 , Issue 3::, May-June , A Bimonthly news letter

বৰ্ষ ২ : ৩য় সংখ্যা : মে'–জুন ২০২৫

# সম্পাদকীয়

বিজ্ঞান বাৰ্তাৰ সকলো পঢ়ুৱৈলৈ সাদৰ সম্ভাষণ জনাইছোঁ। ২০২৫ চনৰ মে'-জুন মাহৰ সংখ্যাত অসম বিজ্ঞান সমিতিৰ বিভিন্ন শাখাই সম্পাদিত কৰা বিভিন্ন কাৰ্যসূচী ইয়াত তুলি ধৰিবলৈ যত্ন কৰা হৈছে। এই সময়ছোৱাত অসম বিজ্ঞান সমিতিৰ বাৰ্ষিক অধিবেশন, Observance of Day Against Superstitious Beliefs, অসম বিজ্ঞান সমিতিৰ ২০২৫-২০২৭ বৰ্ষৰ মুখ্য কাৰ্য্যালয়ত হোৱা প্ৰীতি সভা, বিজ্ঞান সমিতিৰ কাৰ্যনিৰ্বাহক কমিটিৰ ২০২৫-২০২৭ বৰ্ষৰ প্ৰথম সভা, বিশ্ব জীৱ-বৈচিত্ৰ্য দিৱস পালন, 'Rural Science Fair', বৰঙাবাৰীৰ চাৰেঙীয়াত হোৱা যিকোনো ঠাইতে জুই জ্বলা ঘটনাৰ চৰজমিন তদন্ত, সম্পদ ব্যৱস্থাপনা সমিতিৰ সভা, মাননীয় শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু মহোদয়ে অসম বিজ্ঞান সমিতিৰ মুখ্য কাৰ্যালয় পৰিদৰ্শন আৰু অসম বিজ্ঞান সমিতিৰ কাৰ্যকৰ্তাসকলৰ লগত অসমৰ বিজ্ঞান শিক্ষা ব্যৱস্থা সম্পৰ্কত হোৱা আলোচনাৰ কথা ,উপদেষ্টা সমিতিৰ সভা ইত্যাদি ৰ বিষয়ে খবৰ তথা প্ৰতিবেদন প্ৰকাশ পাইছে।

আমি আগন্তক দিনবোৰত বিজ্ঞান জেউতিৰ হীৰক জয়ন্তীৰ উদযাপন, অসম বিজ্ঞান সমিতিৰ প্লাটিনাম জয়ন্তীৰ সূচনা, প্ৰয়োজনভিত্তিক কিছুমান পুথিৰ প্ৰকাশন, ১০,০০০ আজীৱন সদস্যৰ ভৰ্ত্তিৰ লক্ষ্য পূৰণৰ সংকল্প লৈছোহঁক।এই সকলো লক্ষ্য সফল কৰিবৰ বাবে আৰু সভাৰ বৰ্তমান কাৰ্যকলাপবোৰ আগবঢ়াবৰ বাবে, সকলোৰে সকলো দিশত সহায় সহযোগিতা আৰু সমৰ্থন প্ৰয়োজন।

শাখা সমূহেই হ'ল অসম বিজ্ঞান সমিতিৰ মূল চালিকা শক্তি। আপোনালোকৰ অশেষ পৰিশ্ৰমক কৃতজ্ঞতাৰে স্বীকাৰ কৰিছোঁ।

নিত্যনতুন বৈজ্ঞানিক আৱিষ্কাৰৰ দিনত আমিও খোজত খোজ মিলাই আগবাঢ়ি গৈ থাকিব লাগিব। তাকে নকৰিলে বৰ্তমান যুগত আমি পাহৰণিৰ গৰ্ভত সোমাই যোৱাৰ সম্ভাৱনাই বেচি। কৃত্ৰিম বুদ্ধিমত্তাৰ আৱিষ্কাৰ তথা ব্যৱহাৰৰ ব্যাপকতাই নতুন সংশয় আৰু সম্ভাৱনাৰ দুৱাৰ মুকলি কৰি দিছে। তথ্যৰ বিস্ফোৰণ যি হাৰত ঘটিছে তাৰ মাজৰ পৰা প্ৰয়োজনীয় আৰু অপ্ৰয়োজনীয় তথ্য সমূহৰ পৃথকীকৰণৰ সমস্যাই দেখা দিছে। DeepFake ৰ যুগত সঁচা আৰু মিছাৰ মাজৰ সীমা ৰেখাডাল নিৰূপণ কৰাই দুৰূহ হৈ পৰিছে। এনে পৰিস্থিতিত সামাজিক অসমতাৰে ভৰপূৰ অসমৰ নিচিনা ৰাজ্য এখনত বিজ্ঞানৰ সুফল সমূহ ৰাইজৰ কাষ চপাই নিয়াটো সহজসাধ্য নহয়।

অসম বিজ্ঞান সমিতিৰ মাননীয় সদস্য সকলেই আমাৰ প্ৰেৰণাৰ উৎস। বহু ব্যক্তিৰ জীৱন যোৱা সাধনা আৰু শ্ৰমৰ ফলশ্ৰুতিত হে অসম বিজ্ঞান সমিতি আজিৰ এই অৱস্থাত উপনীত হৈছেহি। এই মাননীয় সদস্য সকলৰ বহুতেই বিভিন্ন কাৰণত পূৰ্বৰ স্থানৰ পৰা স্থানান্তৰিত হৈছে। ফলত তেখেত সকলৰ লগত যোগাযোগ ৰখাৰ বাবে আৰু সদস্য সকলৰ Data-Base এটা তৈয়াৰ কৰিবলৈ সকলোৰে Member Data Form খন পূৰণ কৰিব লাগিব। এই ক্ষেত্ৰত শাখাৰ সম্পাদক সকলক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলৈ আহ্বান জনাইছো।

নিৰোদ কুমাৰ বৰা
পংকজ কুমাৰ বৰুৱা






Published by : General Secretary, Assam Science Society, Khanapara, Jawahar Nagar, Guwahati 781022, Assam

# Executive committee

## Assam Science Society

**2025-2027**



**Dr Arup Kumar Misra**
**President**



**Dr. Bhagawat Pran Duarah**
**Working President**



**Sri Romen Gogoi**
**Vice President**



**Sri Mrinal Kumar Hazarika**
**General Secretary**



**Dr. Amal Chandra Dutta**
**Vice Presidentt**



**Dr. Dwijen Kalita**
**Joint Secretary**
**(HQ)**



**Sri Nirud Kumar Borah**
**Joint Secretary**
**(Media & Publication)**



**Dr. Bijoy Sankar Goswami**
**Joint Secretary**
**(Academic)**

# Executive committee



**Sri Arup Kumar Dutta**
**Joint Secretary**
**(Organization & Branch Coordination)**



**Sri Nilamani Sarma**
**Joint Secretary**
**(Public Health, Environment & Climate Change)**



**Sri Dwijendra Kumar Das**
**Assistant Secretary**



**Sri Dhruba Jyoti Medhi**
**Assistant Secretary**



**Dr. Jakir Hussain**
**Treasurer**



**Sri Abhijit Sarma Baruah**
**Editor, Bijnan Jeuti**



**Dr. Chinta mani Sarmah**
**Editor, Journal**



**Dr. Chandra Barua**
**Convenor**
**Jatiya Bijnan Puji**



**Sri Tarun Deka**
**Convenor**
**Jatiya Bijnan Puji**



**Dr. Dhireswar Kalita**
**E C member (Guwahati)**



**Dr. Kutubuddin Ahmed**
**E C member (Guwahati)**



**Sri Mowsam Hazarika**
**E C member (Guwahati)**

# Executive committee



**Dr. Indira Bordoloi**
**E C member (HQ)**



**Dr. Nirmal Kumar Sarkar**
**E C member (Karimganj)**



**Sri Kiran Chandra Kalita**
**E C member(Chhaygaon)**



**Sri Pradip Mahanta**
**E C member(Barbhag)**



**Sri Pratap Mali**
**E C member(South Kamrup)**



**Mohsinul haque Ahmed**
**E C member(Goreswar)**



**Sri Anil Kumar Thakuria**
**E C member(Simla)**



**Sri Prafulla Barman**
**E C member(Kakaya)**



**Sri Pradip Neog**
**E C member(Pichala)**



**Sri Bhupen Sarma**
**E C member(Koliabor)**



**Dr. Sanjoy Kumar Hazarika**
**E C member(Dergaon)**



**Sri Dhirendra Nath Deka**
**E C member(Dergaon)**

# Executive committee



**Sri Krishna Acharjya**
**E C member(Borsola)**



**Dr. Akshay Kumar Haloi**
**E C member(Bajali)**



**Dr. Jayanta Kumar Das**
**E C member(Barama)**



**Sri Labanya Lahan Chutia**
**E C member(Dhemaji)**



**Sri Chakramani Brahma**
**E C member(Kokrajhar)**



**Dr. Pavitra Chutia**
**E C member(Golaghat)**



**Dr. Jai Dayal Mali**
**E C member(Sadiya)**



**Dr. Indibar Burhagohain**
**E C member(Dhakuakhana)**




**Altaf Hussain Khandakar**
**E C member(Pub-Kamrup)**



**Sri Khanindra Nath Talukdar**
**E C member(Guwahati)**

# Observance of Day Against Superstitious Beliefs




in memory of Padma Shri Birubala Rabha by Digboi College (Autonomous) in association with Assam Science Society Digboi Branch at Conference Hall of Digboi College (Autonomous) today on 13/05/2025.






# Observance of Day Against Superstitious Beliefs

in memory of Padma Sri Birubala Rabha by Pub Kamrup College in association with Assam science Society.Pub Kamrup Branch














# টীয়ক, ১১মে'। বিজ্ঞান আলোচনাচক্ৰ।

“বিজ্ঞান আৰু প্ৰযুক্তিয়ে মানৱ সভ্যতাৰ উত্তৰণ ঘটায়”, ৰাষ্ট্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি দিবস ৰ সৈতে সংগতি ৰাখি জ্যোতি বিদ্যাপীঠ, টীয়কৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত আলোচনা চক্ৰত বিজ্ঞান আৰু প্ৰযুক্তিৰ গুৰুত্ব সম্পৰ্কে কয় উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তি প্ৰতিষ্ঠানৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ বিজ্ঞানী ডঃ বিমলা প্ৰসাদ বৰুৱাই। অসম বিজ্ঞান সমিতি, জ্যোতি বিদ্যাপীঠ টীয়ক শাখাৰ উদ্যোগত আৰু জ্যোতি বিজ্ঞান ক্লাবৰ সহযোগত অনুষ্ঠিত এই আলোচনা চক্ৰত বিশিষ্ট অতিথিৰ ভাষণত অসম বিজ্ঞান সমিতিৰ ৰাজ্যিক উপ-সভাপতি ৰমেন গগৈয়ে ছাত্ৰ-ছাত্ৰীৰ মাধ্যমেৰে সমাজত বিজ্ঞানসম্মত মানসিকতা গঢ়াৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অসম বিজ্ঞান সমিতি, জ্যোতি বিদ্যাপীঠ শাখাৰ মুখ্য উপদেষ্টা অশোক কুমাৰ বৰাই সঞ্চালনা কৰা আলোচনা চক্ৰৰ উদ্দেশ্য ব্যাখ্যা কৰে শাখাৰ মুখ্য সম্পাদক তথা' জ্যোতি বিদ্যাপীঠ, টীয়কৰ অধ্যক্ষ প্ৰশান্ত কুমাৰ দাসে। এই আলোচনা চক্ৰত বিদ্যালয়খনৰ অষ্টম শ্ৰেণীৰপৰা দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। শাখাৰ অন্যতম সদস্য ৰক্তিম ৰঞ্জন বৰঠাকুৰে আঁতধৰা এই অনুষ্ঠানত অসম









বিজ্ঞান সমিতি, জ্যোতি বিদ্যাপীঠ শাখাৰ উপ-সভাপতি অতুল দলৈ, বিদ্যাপীঠৰ উপাধ্যক্ষা জুনু বৰকটকী, সহকাৰী সম্পাদক ৰঞ্জন শৰ্মা, বাজেন বৰা, ডঃ পূৰ্বজ্যোতি ভাগবতী আদি উপস্থিত থাকে।

# ১৮ মে, ২০২৫ তাৰিখে অসম বিজ্ঞান সমিতিৰ ২০২৫-২০২৭ বৰ্ষৰ মুখ্য কাৰ্য্যালয়ত হোৱা প্ৰীতি সভাৰ কিছু আলোকচিত্ৰ












# Charge handover to new executive











অসম বিজ্ঞান
ASSAM SCIENCE SOCIETY


সমিতি ভৱন
CONVENTION CENTRE

# ১৮ মে, ২০২৫ তাৰিখে হোৱা অসম বিজ্ঞান সমিতিৰ কাৰ্যনিৰ্বাহক কমিটিৰ ২০২৫-২০২৭ বৰ্ষৰ প্ৰথম সভাৰ কিছু আলোকচিত্ৰ




















## বিজ্ঞান সমিতিৰ নগাঁও-কলংপাৰ শাখাৰ উদ্যোগ

# চাপানালা স্কুলত ডিজিটেল প্লেটফৰ্ম প্ৰয়োগৰ সজাগতা সভা



**বিশেষ বাৰ্তা, নগাঁও, ১৮ মে' ঃ** অসম বিজ্ঞান সমিতিৰ নগাঁও-কলংপাৰ শাখাৰ সহযোগত নগাঁও মহাবিদ্যালয় (স্বতন্ত্ৰ)ৰ আভ্যন্তৰীণ মান আশ্বাসন কোষৰ উদ্যোগত চাপানলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কালি 'বিজ্ঞান প্ৰচাৰৰ বাবে ডিজিটেল প্লেটফৰ্মৰ প্ৰয়োগ' সম্পৰ্কীয় এক সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয়। অসমৰ গাঁওসমূহত বিজ্ঞান শিক্ষাৰ জনপ্ৰিয়কৰণ কাৰ্যসূচীৰ অধীনত অসম বিজ্ঞান সমিতিৰ পৃষ্ঠপোষকতাত এই কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীৰ আঁত ধৰে অসম বিজ্ঞান সমিতি নগাঁও-কলংপাৰ শাখাৰ সভাপতি ড° ভুবন চন্দ্ৰ চুতীয়াই। চাপানলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা পাৰুল গায়নে আদৰণী ভাষণ দিয়া অনুষ্ঠানত সমল ব্যক্তি হিচাপে নগাঁও মহাবিদ্যালয় (স্বতন্ত্ৰ)ৰ প্ৰাণীবিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° ললিত মোহন গোস্বামীয়ে অংশগ্ৰহণ কৰে। ড° গোস্বামীয়ে বিজ্ঞান প্ৰচাৰৰ বাবে ব্যাপকভাৱে ব্যৱহাৰ কৰা ডিজিটেল প্লেটফৰ্মসমূহৰ বিষয়ে বিশদভাৱে বৰ্ণনা কৰে। তেওঁ বিজ্ঞানৰ পাঠদান আৰু শিক্ষণ প্ৰক্ৰিয়াত ব্যৱহাৰ হোৱা প্ৰযুক্তিৰ ওপৰতো আলোকপাত কৰে। ড° গোস্বামীয়ে ডিজিটেল প্লেটফৰ্মে আধুনিক বিজ্ঞানৰ প্ৰচাৰ কেনেকৈ সহজ কৰি তুলিছে সেই বিষয়ে ব্যাখ্যা আগবঢ়ায়। শিক্ষকসকলক বিজ্ঞান প্ৰচাৰৰ বাবে ডিজিটেল প্লেটফৰ্মৰ সঁজুলি আৰু কৌশল ব্যৱহাৰ কৰিবলৈ অধ্যাপকগৰাকীয়ে আহ্বান জনায়। সজাগতা কাৰ্যসূচীত চাপানলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ লগতে বৃহত্তৰ অঞ্চলটোৰ বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, অসম বিজ্ঞান সমিতিৰ নগাঁও-কলংপাৰ শাখাৰ সদস্য আৰু তিনিশৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

### চাপানলা উঃ মাঃ বিঃক 'ডাঃ জিতেন গোহাঁই সোঁৱৰণী সেউজ বঁটা-২০২৪' প্ৰদান

# বিজ্ঞান কেৱল প্ৰযুক্তি নহয়, ই প্ৰগতি আৰু উন্নত ভৱিষ্যৎ ঃ ড° শৰৎ বৰকটকী

**আমাৰ খবৰ, নগাঁও, ১৬ মে' ঃ** চাপানলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ক 'ডাঃ জিতেন গোহাঁই সোঁৱৰণী সেউজ বঁটা-২০২৪' প্ৰদান কৰা হয়। অসম বিজ্ঞান সমিতি, নগাঁও কলংপাৰ শাখাৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান আশ্বাসন কোষ, নগাঁও মহাবিদ্যালয়ৰ সহযোগত চাপানলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ১৫ মে'ত অনুষ্ঠিত 'ডাঃ জিতেন গোহাঁই সোঁৱৰণী সেউজ বঁটা প্ৰদান' অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে নগাঁও মহাবিদ্যালয় (স্বতন্ত্ৰ)ৰ প্ৰাক্তন অধ্যক্ষ ড° শৰৎ বৰকটকীয়ে। ড° বৰকটকীয়ে বিজ্ঞান কেৱল প্ৰযুক্তি নহয়, ই প্ৰগতি, সমাধান আৰু উন্নত ভৱিষ্যতৰ বাহক বুলি উল্লেখ কৰি ছাত্ৰ-ছাত্ৰীক বৈজ্ঞানিক চিন্তাধাৰা আৰু গৱেষণাৰ বাবে অনসন্ধিৎস মন গঢ়ি তুলিবলৈ পৰামৰ্শ আগবঢ়ায়।



# জাজৰিত বিজ্ঞান সজাগতা সভা

**জিলাৰ বাতৰি দিওঁতা**


**নগাঁও, ১৪ মে'** ঃ অসম বিজ্ঞান সমিতিৰ জাজৰি শাখাৰ উদ্যোগত জাজৰি বালিকা মজলীয়া বিদ্যালয়ৰ প্ৰাংগনত ১১ মে'ত এখন বিজ্ঞান সজাগতা সভা অনুষ্ঠিত হয়। স্থানীয় জ্যেষ্ঠ নাগৰিক সোমেশ্বৰ বৰুৱাই সভাপতিত্ব কৰা সভাত সমল ব্যক্তি হিচাপে *১৩ পৃষ্ঠাত চাওক*

# জাজৰিত বিজ্ঞান সজাগতা

ভাগ লৈ ভূপেন শৰ্মাই — 'আজিৰ শিক্ষাৰ্থী আৰু অভিভাৱক' আৰু ডাঃ হেমন্ত গোস্বামীয়ে 'শিক্ষাৰ্থীৰ মানসিক স্বাস্থ্য আৰু আমাৰ সামাজিক পৰিৱেশ' শীৰ্ষক দুটা বিষয়ত বক্তৃতা আগবঢ়ায়। ভাষণ প্ৰসংগত বক্তা ভূপেন শৰ্মাই কয় যে সময়ৰ পৰিৱৰ্তনৰ লগে লগে সামাজিক পৰিৱেশো সলনি হৈছে। এই পৰিৱৰ্তিত প্ৰেক্ষাপটত স্বাভাৱিকতে শিক্ষাৰ্থী আৰু অভিভাৱকৰ আশা-আকাংক্ষা, সম্পৰ্ক আৰু আচৰণৰো পৰিৱৰ্তন ঘটিছে। সমাজতান্ত্ৰিকসকলে বৰ্তমানৰ শিক্ষাৰ্থীক সময়সাপেক্ষ তিনি ভাগত ভাগ কৰিছে। এই প্ৰজন্মকেইটা ইলেক্ট্ৰ'নিক যুগৰ সা-সুবিধাৰে পৰিবেষ্টিত। বিজ্ঞান-প্ৰযুক্তিৰ সুবিধাভোগী শ্ৰেণী। এই প্ৰজন্ম যিকোনো কাৰ্যৰ শীঘ্ৰে ফলাফল প্ৰত্যাশী। এওঁলোকক লগে লগে ফলাফল লাগে। তেওঁলোক কিছু অস্থিৰ। আজিৰ শিক্ষাৰ্থীৰ মাজত সোমাই পৰা এই নতুন চৰিত্ৰ অভিভাৱক আৰু শিক্ষকসকলৰ বাবে প্ৰত্যাহ্বান স্বৰূপ। এইটো প্ৰজন্মক দেশৰ ভৱিষ্যৎ নাগৰিক হিচাপে প্ৰস্তুত কৰিবলৈ অভিভাৱকসকল সজাগ হ'ব লাগিব। আজিৰ সময় উপভোক্তাবাদৰ সময় বুলি মন্তব্য কৰি শৰ্মাই কয় যে নিচাযুক্ত দ্ৰব্যৰ বাধাহীন ব্যৱহাৰৰ সময়, পৰ্ণোগ্ৰাফীৰ বাধাহীন প্ৰচাৰৰ সময়, শিক্ষাৰ অপচয় (উচ্চ শিক্ষিতই পিয়ন-চকীদাৰৰ চাকৰি কৰিবলগীয়া হৈছে)ৰ সময়। এই দুঃসময়ত প্ৰণালীবদ্ধভাৱে শিক্ষাৰ্থীক আগুৱাই নিব লাগিব। এই দায়িত্ব বিদ্যালয়ৰ, অভিভাৱকৰ আৰু সামাজিক সংগঠনৰ। ইফালে, মানসিক স্বাস্থ্য আৰু সামাজিক অভিভাৱকত্ব' শীৰ্ষক বিষয়ত সমল ব্যক্তি ডাঃ হেমন্ত গোস্বামীয়ে কয় যে আজিকালি অভিভাৱকসকল শিশু আৰু কিশোৰৰ শাৰীৰিক স্বাস্থ্যৰ দিশটোত বহু পৰিমাণে সজাগ হৈছে যদিও মানসিক আৰু সামাজিক স্বাস্থ্যৰ দিশত সজাগতা একেবাৰেই কম। এজন মানুহ স্বাস্থ্যৱান হ'বলৈ হ'লে শাৰীৰিক স্বাস্থ্যৰ উপৰি মানসিক তথা সামাজিক স্বাস্থ্যৰ দিশেৰেও সুস্থ হ'ব লাগিব। গোস্বামীয়ে কয় যে সু-স্বাস্থ্য মানে হৈছে শাৰীৰিক, মানসিক, সামাজিক তিনিওটা দিশৰে সুস্থতা।


International Day for
Biological Diversity
International Day for
Biological Diversity
MAY 22



নিমন্ত্ৰণী পত্ৰ

শ্ৰদ্ধাভাজনেষু,

নমস্কাৰ গ্ৰহণ কৰিব। বৰ্তমান সময়ত অত্যাধিক হাৰত বৃদ্ধিপোৱা গোলকীয় উষ্ণতা, জলবায়ু অস্বাভাৱিক পৰিবৰ্তনৰ ফলত পৃথিৱীৰ জীৱকুলৰ মাজত যি প্ৰভাৱ পৰিছে সেই কথা উপলব্ধি কৰি সমগ্ৰ বিশ্বৰ লগতে অসম বিজ্ঞান সমিতিৰ পিছলা শাখাৰ উদ্যোগত বৰবালি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আন্তৰ্জাতিক জীৱ-বৈচিত্ৰ্য দিৱস উদ্‌যাপন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

উক্ত সভালৈ আপোনালোকক এই পত্ৰৰ জৰিয়তে সাদৰেৰে নিমন্ত্ৰণ জনালোঁ।

উদ্বোধক ঃ ড° দুলাল চন্দ্ৰ শইকীয়া, অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক,
উদ্ভিদ বিজ্ঞান বিভাগ, ছয়দুৱাৰ মহাবিদ্যালয়, গহপুৰ।
সভাপতি ঃ শ্ৰীযুত ভৱকান্ত দত্ত, অধ্যক্ষ, বৰবালি উচ্চতৰ মাধ্যমিক বিদ্যালয়।
পাৰদৰ্শী ব্যক্তি ঃ ড° লক্ষীৰাম ভূঞা, অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ উদ্ভিদ বিজ্ঞানী,
অৰুণাচল প্ৰদেশ।

ইতি
শ্ৰদ্ধা সহকাৰে

শ্ৰী প্ৰদীপ নেওগ
সাধাৰণ সম্পাদক
শ্ৰী বিৰিঞ্চি কুমাৰ বৰুৱা
সাংগঠনিক সম্পাদক
পিছলা শাখা বিজ্ঞান সমিতি।









# বিশ্ব জীৱ-বৈচিত্র্য দিৱস পালন




অসম বিজ্ঞান সমিতিৰ যোৰহাট শাখা আৰু যোৰহাট একাডেমিৰ উদ্যোগত আজি (২২ মে') বিশ্ব জীব-বৈচিত্র্য দিবস পালন কৰে। একাডেমিক প্রেক্ষাগৃহত বিজ্ঞান সমিতিৰ সভাপতি ড বিচিত্র কুমাৰ বৰঠাকুৰৰ সভাপতিত্বত অনুষ্ঠিত দিবসৰ সভাত মূল বক্তৃতা প্রদান কৰি অসম কৃষি বিশ্ববিদ্যালয়ৰ অবসৰপ্রাপ্ত অধ্যাপক ড' ঈশ্বৰ চন্দ্র বৰুৱাই জীব-বৈচিত্রাৰ প্রধান শত্রু মানব জাতি বুলি উল্লেল্লখ কৰি জীব-বৈচিত্রাৰ হটস্পট ৰুপে খ্যাত উত্তৰ-পূর্বাঞ্চলত চলা ধ্বংসলীলাই সচেতন মহলক উদ্বিগ্ন কৰিছে বুলি ব্যক্ত কৰে। জীবকুলৰ কেবল উদ্ভিদেহে খাদ্য প্রস্তুতকৰণত বৰঙণি আগবঢ়ায় আৰু প্রাণীকুলে খাদ্য তাৰ পৰাই সংগ্রহ কৰে বুলি উল্লেখ কৰি বক্তাজনে উদ্ভিদ জগতৰ ক্ষতি সাধনে সমগ্র বিশ্বৰ বাবে ভয়াবহতা কঢ়িয়াই আনিছে বুলি শংকা ব্যক্ত কৰে। শাখাৰ সম্পাদক ৰমেন গগৈয়ে দিবসৰ তাৎপর্য ব্যাখ্যা কৰা আৰু একাডেমিৰ উপাধ্যক্ষ বস্তি শিখা পাঠকে আদৰণী ভাষণ প্রদান কৰা সভাত . একাডেমিৰ শৈক্ষিক সমন্বয়ক বিপিন বৰাই শলাগ জ্ঞাপন কৰে।

প্রকৃতিপ্রেমী অনুষ্ঠান সেৱা আৰু বেৰকান্ত বৰুৱা পাব্লিক হাইস্কুলৰ ইক' ক্লাবৰ উদ্যোগতো আজি বিশ্ব জীব-বৈচিত্র্য দিবস পালন কৰা হয়। এই উপলক্ষে আয়োজিত সভাত বাহনা মহাবিদ্যালয়ৰ অৱসৰপ্রাপ্ত অধ্যাপিকা তথা বিশিষ্ট বিজ্ঞান লেখিকা ড'ইন্দিৰা বৰুৱাই কয় যে কেৱল মানুহে মানুহৰ হাত ধৰি চলিলেই নহ'ব, প্রকৃতিৰ লগত মানবে সম্প্রীতিৰে বাস কৰিলেহে এখন নিৰাপদ পৃথিবী পববর্তী প্রজন্মলৈ থাকিব। আমাৰ শক্তিৰে আমি আৰু বায়ু, পানী, মাটিৰ গুণাগুণ ৰক্ষা কৰিব লাগিব। বিদ্যালয়ৰ প্রেক্ষাগৃহত শিক্ষাবিদ ড° চেনীবাম দত্তৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ আঁত ধৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক ৰাতুল ভূঞাই আৰু আদৰণী ভাষণ প্রদান কৰে প্রধান শিক্ষয়িত্রী কবিতা নাজিব শইকীয়াই। সেবাৰ সভাপতি হেমেন কুমাৰ শইকীয়াই এই দিবসৰ তাৎপর্য ব্যাখ্যা কৰা সভাত আধাৰ আলোচনীৰ মুখ্য সম্পাদক ডাঃ বলীন খাৰঘৰীয়া, তথ্য আৰু পৰিসংখ্যাৰ ডিব্রুগড়স্থ কার্যালয়ৰ উপসঞ্চালক সূর্য কমল বৰা, বিদ্যালয় পৰিচালনা সমিতিৰ উপ সভাপতি দেবানন্দ বৰাই বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকে। সভাত শলাগ জ্ঞাপন কৰে বিদ্যালয়ৰ শিক্ষক গৌৰব কুমাৰ দত্তই।






# International Biodiversity Day was celebrated today









স্থাপিত ঃ ১৯৫৩
Estd. : 1953

২১ নম্বৰ আইন (১৮৬০) ৰ অধীন

অসম বিজ্ঞান সমিতি
ASSAM SCIENCE SOCIETY

(Regd. Under Societies Registration Act XXI of 1860. Regd No. 49 of 1960-61)
Head Office : Jawaharnagar, Khanapara, Guwahati - 781022, Assam, India
☎ : (0361) 2363258, E-mail : gsass2014@gmail.com

অসম বিজ্ঞান সমিতিৰ শোক প্ৰকাশ

গুৱাহাটী, ২৩ মে', ২০২৫

অসম বিজ্ঞান সমিতিয়ে সমিতিৰ আজীৱন সদস্য, তিনিচুকীয়া শাখাৰ প্ৰাক্তন সভাপতি, **শ্ৰী দিলীপ কলিতাৰ** যোৱা ২২ মে', ২০২৫ তাৰিখে হোৱা আকস্মিক বিয়োগত গভীৰ শোক প্ৰকাশ কৰে।

সমিতিয়ে শ্ৰী কলিতাৰ বিয়োগত সমিতিৰ তথা তিনিচুকীয়া অঞ্চলৰ অপূৰণীয় ক্ষতি বুলি অনুভৱ কৰে। সমিতিৰ এজন সদস্য হিচাপে শ্ৰী কলিতাই আগবঢ়োৱা অৱদানৰ কথা সমিতিয়ে শ্ৰদ্ধাৰে সোঁৱৰে আৰু শোক-সন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

(ডঃ অৰূপ কুমাৰ মিশ্ৰ)
সভাপতি

(শ্ৰী মৃণাল কুমাৰ হাজৰিকা)
প্ৰধান সচিব

অসম বিজ্ঞান সমিতি

Recipient of NCSTC'S National Award 1990 for popularisation of Science

Dileep Kumar Kallia (76 former Associete Professor and Head of Chemistry Department, Tinsukia College, a person of manifold qualities. Dileep Kalita lived permanently at Tinsukia and got himself associated with a good number of socio-educational activities. He was a former president of Assam Science Society. Tinsukia Branch, President. Red Cross Society, Tinsukia district, and President, Reception CommitteeSure Level Conference of Nasional Children's Science Congress (NCSC), held for the first time at Tinsukia in 1996.Even after his superannuation from Tinsukia College in 2009, he became more active in the educational arena. He was a university-nominated member of Doondooma College, Sadiya College. President Digboi College (now autonomous college) and Tinsukia College Governing Bodies (GB). He didn't give up teaching till his death and was the Principal of Inventure Academy, Bardoloi Nagar, Tinsukia

# Rural Science Fair

Assam Science Society conducts 'Rural Science Fair' at Doomdooma

DOOMDOOMA, May 29: Under the Application of Digital Media in the Promotion of Science Project-2024-25, sponsored by the State government's science, technology and climate change department, the Doomdooma branch of Assam Science Society (ASS) organised a two-day 'Rural Science Fair 2025' at Bir Raghav Moran Government Model (BRMGM) College here recently



The first day's programme got underway with the piantation of a sapling by Dr Amorit Saikia, principal of BRMGM College. Dr Kamaleswar Kalita, principal of Doomdooma College, inaugurated the science model competition and exhibition. Drawing and quiz competitions were also held on the occasion.

With the participation of around 150 students from various schools in the region, the drawing competition was conducted in two groups. Additionally, 87 students from six schools displayed 17

science models. On the other hand, ten teams from different schools in the region participated in the quiz competition.

Assistant professors of the Science stream of Doom-dooma College - Satabdi Dutta, Pradeep Newar, and Jamil Hussain conducted the science model and quiz competitions as judges and quiz master while eminent artist Biren Sharma conducted the drawing competition as judge.

In Group-A of the drawing competition, Sresha Paul (St Mary's Higher Secondary School, Doomdooma), Swadhiranya Hazarika (St Mary's Higher Secondary School, Doomdooma), and Lunasha Borah (St Xavier's School) secured the first, second, and third prize, respectively, while Nahadip Sonowal (Jyoti Vidyapith, Dangari) and Priyadarshini Sonowal (St Mary's Higher Secondary School, Doomdooma) were

awarded consolation prizes. In Group B, Shawwat Sai-kia (Don Bosco High School, Doomdooma), Jyotishman Dutta (Don Bosco High School, Doomdooma), and Jahnabee Borah (Modern Academy, Rupai) secured the first, second, and third

prize, respectively, while Saumya Sah (Lotus Academy, Doom doomal, and Rajarshi Talukdar (St Mary's Higher Secondary School, Doomdooma) were awarded consolation prizes.

In the quiz competition, students from Don Bosco High School, Doomdooma, secured the first and third prize while students from Modern Academy, Rupai, secured the second prize.

In Group-A of the science model competition, models prepared by the students of Rupai Jatiya Vidyalaya, St Mary's Higher Secondary.

## Rural Science Fair

Rupai Jatiya Vidyalaya, and Don Bosco High School se cured the first, second, and third prize, respectively.

As a representative of the district commissioner of Tinsukia, the second day's programme was inaugurated by the co-district commissioner (CDC) of Doomdooma co district, Nuzhat Nasreen. In her speech, the CDC explained the importance of science and technology in the present-day world and urged upon everyone, especially students, to work towards spreading a scientific temper in society. She praised the initiatives taken by Assam Science Society in this regard.

The inaugural session was chaired by Dr Amorjit Sai kia, principal of BRMGM College. The secretary of the Doomdooma branch of ASS, Dhiren Deka, explained the objectives of the event.

In the inaugural session, the prizes of the competitions held on the first day were dis tributed among the winners by the CDC. The prize dis tribution programme was conducted by the joint con-veners of the competitions, Subhashis Mallick and Abhi-jit Khataniar. The inaugural session was also attended by the treasurer of the Doom-dooma branch of ASS, Arjun Baruah, joint secretary Ut pal Pujari, and other mem

bers of branch. During the second day's main programme, experts frown Assam State Rural Live lihood Mission (ASRLM), Tinsukia district, demonstrat ed various methods of organic farming, use of drones in ag riculture, and food process-ing and certification. Shankarjyoti Hazarika, dis trict functional expert (liveli hoods and marketing) of AS-RLM, Tinsukia, Jayanta Sonowal, block coordinator of ASRLM, Doomdooma block, and Puspanjali Gogoi, 'young professional of ASRLM, par-

ticipated in the programme as resource persons. They also demonstrated the use of drones in spreading manure in agricultural fields.

Over one hundred rural women from various parts of Doomdooma co-district, along with students and teachers from different schools and colleges, partici pated in the programme, which was anchored by the secretary of the Doom-dooma branch of ASS Dhiren Deka, who subsequently of fered the vote of thanks.

The Doomdooma branch of Assam Science Society has expressed gratitude to those made the event successful with their active co-operation and participation.


অসম বিজ্ঞান সমিতিৰ ডুমডুমা শাখাৰ 'গ্ৰাম্য বিজ্ঞান মেলা'ৰ সামৰণি

# WORLD ENVIRONMENT DAY

JUNE 5



# বিশ্ব পৰিৱেশ দিৱসঃ




*আজি পৰিবেশ দিৱসত যোৰহাট শাখাৰ দ্বাৰা প্ৰকাশিত, ড. দণ্ডেশ্বৰ দত্ত প্ৰণীত পুথি "সেউজী ধৰণী ধুনীয়া" উন্মোচন কৰে বন সংমণ্ডল প্ৰাধিকাৰী সয়মবৃতা দত্তই।*

৫ জুনঃ যোৰহাট জাতীয় বিদ্যালয়ৰ সুবৃহৎ চৌহদৰ দ্বিতীয়টো কুসুম বড়ি প্ৰকল্পত অসম বিজ্ঞান সমিতি আৰু সামাজিক বনানীকৰণ বিভাগৰ গছপুলি ৰোপণ আৰু পৰিৱেশ দিৱসত ড' অদিতি বেজবৰুৱাৰ বিশেষ বক্তৃতাৰ লগতে বিদ্যালয়ৰ ইন্দিবা মিৰি শুক সদনত আজি যোৰহাট তথা অসমবাসীক সেৱা আগবঢ়োৱা অসম বিজ্ঞান সমিতি যোৰহাট শাখাক এক অভিনন্দনৰ অনুষ্ঠান অনুষ্ঠিত হয়। বহু বছৰে নিজা ধন ভাঙি স্বেচ্ছামূলক সেৱা আগবঢ়াই যোৰহাটত উচ্চ পৰ্যায়ৰ নানা বিজ্ঞান শিক্ষাৰ অনুষ্ঠান-প্ৰতিষ্ঠান চলি থকাৰ পৰিৱেশ ৰচনা আৰু সহায় কৰা বাবে বিদ্যালয়ৰ কৰ্মকৰ্তা, শিক্ষাগুৰু-সকল আৰু ছাত্ৰ-ছাত্ৰীসকলে বিজ্ঞান সমিতিৰ সদস্যসকলক এক আন্তৰিক অভিনন্দন কৰা নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিবেশন কৰে বিজ্ঞানভিত্তিক গীতৰ শৰাই। নৱম শ্ৰেণীৰ ছাত্ৰ-যাত্ৰীসকলে দুটি নৃত্য পৰিবেশন কৰে । যোৰহাট বিশ্ববিদ্যালয়ে এক শলাগনি মানপত্ৰ, উপহাৰৰ সৈতে বিজ্ঞানীৰ সৈতে এটি অন্তৰংগ আলাপৰ অনুষ্ঠান কৰে। আজি বিচজনতকৈ অধিক যোৰহাটৰ অতি উজ্জ্বল জ্যোতিষ্কৰ দৰে বিজ্ঞানী তথা বিশিষ্ট নাগৰিকে আলাপত ভাগ লোৱাটোৱে সকলোকে অভিভূত কৰে। অসম বিজ্ঞান সমিতিৰ যোৰহাট জিলা শাখাৰ সভাপতি, টোকোলাই চাহ গবেষণা কেন্দ্ৰৰ পৰা অৱসৰপ্ৰাপ্ত চাহ বিজ্ঞানী ড' বিচিত্ৰ কুমাৰ বৰঠাকুৰৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিশিষ্ট বিজ্ঞান লেখিকা ড' অদিতি বেজবৰুৱাই পৃথিবীজোৰা প্লাষ্টিক প্ৰদূষণৰ ভয়াবহতা আৰু তাৰ বিৰুদ্ধে সামাজিক, বৌদ্ধিক আৰু সাংগঠনিক পৰ্যায়ত প্ৰতিবোধৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ তাৰ বাবে যোৰহাট জাতীয় বিদ্যালয়ক এটা আন্দোলনৰ গুৰি ধৰিবলৈ আহহ্বান জনায়। আজিৰ বিশাল বিজ্ঞানী সমাবেশত নেইষ্টৰ পৰা অৱসৰপ্ৰাপ্ত বিজ্ঞানী ড' বিমলা প্ৰসাদ বৰুৱা, নেইষ্টৰ অৱসৰী সঞ্চালক ড' ৰমেশ চন্দ্ৰ বৰুৱা ,বিজ্ঞানীসকল ক্ৰমে ড' প্ৰবীণ বৰুৱা, ডা ঈশ্বৰ চন্দ্ৰ বৰুৱা, ড° ৰাজীৱ লোচন গোস্বামী, মীনা ফুকন বৰঠাকুৰ, অসমকৃষি বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড' বিপিন খন্ধীয়া, ড' সূৰ্য গগৈ, ড° ৰাজেন্দ্ৰ প্ৰসাদ দাস, ৰাজ্যিক শিক্ষা প্ৰতিষ্ঠানৰ প্ৰাক্তন অধ্যক্ষ ড' নিৰ্মলা শৰ্মা, উদ্ভিদ বিজ্ঞানী বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ ক্ৰমে ড' প্ৰশান্ত হাজৰিকা, ড' দণ্ডেশ্বৰ দত্ত, পুনৰ নেইষ্টৰ বিজ্ঞানী ড'লক্ষী শইকীয়া, অভিযন্ত্ৰ তথা অসম বিজ্ঞান সমিতিৰ যোৰহাট শাখাৰ সম্পাদক ৰমেন গগৈ, উদ্ভিদ বিজ্ঞানী জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড' অনিল চন্দ্ৰ গগৈ, অধ্যাপিকা ড° কুন্তলা নেওগ বৰুৱা, ডিচিবি কলেজৰ প্ৰাক্তন অধ্যক্ষা কবিতা ৰাজগুৰু, প্ৰাক্তন অধ্যাপিকা ৰাণী দেবী বৰাৰ লগতে যোৰহাট জাতীয় বিদ্যালয়ৰ ৰূপালীম বৈজয়ন্তী সমিতিৰ সভাপতি প্ৰাক্তন অধ্যাপক যোগানন্দ বৰা, বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি, প্ৰাক্তন খণ্ড উন্নয়ন বিষয়া পুলিন ফুকন, প্ৰবক্তা সান্ত্বনা শৰ্মা, শৈক্ষিক সভাপতি অধ্যাপক শান্তনু ঠাকুৰ, শৈক্ষিক উপদেষ্টা প্ৰাক্তন অধ্যক্ষ ড' দেহব্ৰত শৰ্মা, বিশিষ্ট উদ্যোগী সকল দিলীপ বৰুৱা;

প্ৰদীপ ঠাকুৰ, নৃপেন হাজৰিকা, দাতা সদস্য কমল বড়িৰ উপস্থিতিত উজলি উঠিল বিদ্যালয়ৰ দুই নং চৌহদ। বৃক্ষৰোপণ কৰে সামাজিক বনানীকৰণৰ হৈ স্বামবৃতা দত্তই। অসম বিজ্ঞান সমিতিৰ হৈ বিপিন খতীয়া আৰু সূৰ্য গগৈ, যোৰহাট জাতীয় বিদ্যালয়ৰ হৈ দিলীপ বৰুৱা আৰু লেখিকা সমাৰোহ সমিতিৰ হৈ কবিতা ৰাজগুৰুৱে।











যোৰহাট জাতীয় বিদ্যালয় ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ৰূপালীম বৈজয়ন্তী

অসম বিজ্ঞান সমিতিৰ দ্বাৰা বিশ্ব পৰিবেশ দিৱস উপলক্ষে আগতীয়া কুইজ



উত্তৰ গুৱাহাটী বিজ্ঞান' সমিতি-উত্তৰ গুৱাহাটী শিশুগ্ৰামৰ সোণালী জয়ন্তী বৰ্ষ উদ্যাপন সমিতিৰ উদ্যোগত বিশ্ব পৰিৱেশ দিৱস (দৈনন্দিন বাৰ্তাৰ সেৱা, উত্তৰ গুৱাহাটী, ৮ জুন): সমগ্ৰ বিশ্বৰ লগতে বৃহস্পতিবাৰে অসম বিজ্ঞান সমিতি উত্তৰ গুৱাহাটী শাখা আৰু উত্তৰ গুৱাহাটী শিশুগ্ৰামৰ সোণালী জয়ন্তী বৰ্ষ উদ্যাপন সমিতিৰ যৌথ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়। পুৱা ৮ বজাত উত্তৰ গুৱাহাটী ছুইমিং পুলত এটি Silverpine গছৰ পুলি ৰোপণৰে কাৰ্যসূচী শুভাৰম্ভ - কৰা হয়। ইয়াৰ পিছত পুৱা ১০ বজাৰ পৰা মধ্যম খশুস্থিত মৃণালিণী দেবী শিশু






নিকেতনৰ চৌহদ আৰু সম্মুখভাগ পৰিষ্কাৰ কৰা হয়। বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীক লৈ প্লাষ্টিকৰ অপকাৰিতাৰ বিষয়টোৰ ওপৰত এখনি সজাগতা সভা অনুষ্ঠিত কৰা হয়। দুপৰীয়া ১ বজাৰ পৰা শংকৰদেৱ শিশু নিকেতন্যত শিশুগ্ৰামৰ সোণালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে নিকেতনৰ উপ-প্ৰধানাচাৰ্য অক্ষয় কলিতাই বন্তি প্ৰজ্বলন কৰাৰ পিছত ছাত্ৰ-ছাত্ৰীসকলে বেদ মন্ত্ৰ পাঠ কৰে। এইবৰ্ষৰ বিশ্ব পৰিৱেশ দিৱসৰ মূল বিষয় 'বিশ্বব্যাপী প্লাষ্টিক পদূষণৰ অন্ত পেলোৱা' ওপৰত ভাষণ দি অসম বিজ্ঞান সমিতি, উত্তৰ গুৱাহাটী শাখাৰ সভাপতি তথা উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক প্ৰভাত শৰ্মা আৰু সমিতিৰ সম্পাদক তথা উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ বসায়ণ বিভাগৰ অধ্যাপকপ্ৰদীপ কলিতাই প্লাষ্টিকে পৰিৱেশ দূষিত কৰাৰ লগতে মানব দেহত কৰা ক্ষতিৰ বিষয়ে বহলকৈ ব্যাখ্যা কৰে। সভাৰ আঁত ধৰি পাৰ্থ প্ৰতিম বৰকাকতিয়ে প্লাষ্টিকৰ সলনি কাপোৰৰ বেগ আদিকে কৰি আন সামগ্ৰী ব্যৱহাৰৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি আহ্বান জনায়। বৰকাকতিয়ে লগতে শিশুগ্ৰামৰ বিষয়ে বহলকৈ কয়




গৌৰৱেৰে সোণালী জয়ন্তী বৰ্ষত ভৰি দিয়াৰ কথা কয়। তেওঁ লগতে ছাত্ৰ-ছাত্ৰীসকলক নিজকে এগৰাকী সু-নাগৰিকৰূপে গঢ়ি তুলি এখন সুস্থ সমাজ গঢ়ি তুলিবলৈ আহ্বান জনায়। বৰকাকতিয়ে লগতে ছাত্ৰ-ছাত্ৰীসকলক সকলো ধৰণৰ ৰাগিয়াল বস্তু সেৱনৰ পৰা বিৰত থাকিবলৈ অনুৰোধ জনায়। বিজান সমিতি উত্তৰ গুৱাহাটী শাখাৰ প্ৰাক্তন সভাপতি থানেশ্বৰ শৰ্মায়ো প্লাাস্টিকৰ অপকাৰিতাৰ বিষয়ে কয়। শেষত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আচাৰ্য-আচাৰ্যাসকলৰ পৰিচালনাত এখন কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। বিদ্যালয়খনৰ নৱম আৰু দশম শ্ৰেণীৰ প্ৰায় ১০০ গৰাকী ছাত্ৰ-ছাত্ৰী উপস্থিত থকা সভাখনত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি কুলেন বড়ো, উপ-প্ৰধানাচাৰ্য, কেইবাগৰাকী আচাৰ্য-আচাৰ্যা, শিশুগ্ৰাম পৰিচালনা সমিতিৰ সভাপতি আই আই টি গুৱাহাটীৰ ড° চিদানন্দ শৰ্মা, বিজ্ঞান সমিতিৰ আজীৱন সদস্য অৰূপজ্যোতি মেধীও উপস্থিত থাকে







১৯৪৭ শক

## কামপুৰত পৰিৱেশ বিষয়ক বক্তৃতানুষ্ঠান

**প্ৰতিদিন সেৱা, কামপুৰ, ৮ জুন ঃ** অসম বিজ্ঞান সমিতিৰ কামপুৰ শাখাৰ উদ্যোগত কামপুৰ কামেশ্বৰ বৰঠাকুৰ মজলীয়া বিদ্যালয়ত বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন কৰা হয়। সেইদিনা পুৱা গছপুলি ৰোপণৰ পাচতে সমিতিৰ সভাপতি তুলসী মোহন বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক সুৰজ শইকীয়াই। সভাৰ বিশিষ্ট অতিথি হিচাপে কামপুৰ কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ সভাৰাম মজুমদাৰে 'প্লাষ্টিক প্ৰদূষণৰ অন্ত পেলাওঁ আহক' বিষয়ত বক্তৃতা দিয়ে। কামপুৰ শাখা সাহিত্য সভাৰ সভাপতি লক্ষীকান্ত নাথ, প্ৰকৃতিপ্ৰেমী ধৰণী শইকীয়াই বিষয়টো সামৰি বিতং আলোচনা কৰে। সভাত শিক্ষক পৱন বৰা আৰু ৰাজীৱ বৰুৱা, ছাত্ৰ প্ৰদীপ টেৰণ, ৰূপম শীল, এনিশা ৰহমানেও বক্তব্য আগবঢ়ায়। সভাখনত বিদ্যালয়খনৰ প্ৰধান শিক্ষক নোমল শইকীয়া, অৱসৰপ্ৰাপ্ত শিক্ষক সুধাময় দাস আৰু শিক্ষকসকলৰ লগতে ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।












অসম কৃষি বিঃবিঃ শাখাঃ বিশ্ব পৰিৱেশ দিৱস উপলক্ষে অবিস-অসম কৃষি বিঃবিঃ শাখাই কৃষি বতৰ বিজ্ঞানী সংস্থা - যোৰহাট অধ্যায় আৰু বৰভেটা পাব্লিক কলা কেন্দ্ৰৰ সহযোগত তিনিটা শাখাত, মুঠতে প্ৰায় ১৪০ জন ছাত্ৰ-ছাত্ৰীৰ মাজত পৰিৱেশ সজাগতা বিষয়ক এখন চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰে । এই প্ৰতিযোগিতাৰ বঁটা বিতৰণী সভা অনুষ্ঠিত হয় আজি অসম কৃষি বিঃবিঃৰ কৃষি জীৱ প্ৰযুক্তিবিদ্যা বিভাগৰ সভাকক্ষত । সভাত শাখাৰ সভাপতি ডঃ ৰুমা ভট্টাচাৰ্য, ডঃ দেবানন্দ দাস, কৃষি বতৰ-বিজ্ঞানী সংস্থা - যোৰহাট অধ্যায়ৰ সভাপতি ডঃ ৰাজীৱ লোচন ডেকা, ভাৰত বিকাশ পৰিষদৰ যোৰহাট শাখাৰ সভাপতি ডঃ ৰঞ্জিৎ ভট্টাচাৰ্য, দুয়োটা সংস্থাৰ বিষয়- ববীয়া আৰু সদস্যসকল, বঁটা প্ৰাপক ছাত্ৰ-ছাত্ৰীসকল আৰু তেওঁলোকৰ অভিভাৱকসকল, আৰু স্থানীয় ৰাইজ । অনুষ্ঠানত বিশিষ্ট ব্যক্তিসকলে সাৰুৱা ভাষণ প্ৰদান কৰে, আৰু বঁটা- প্ৰাপক ছাত্ৰ-ছাত্ৰীসকলক প্ৰমাণ-পত্ৰ আৰু গছপুলি প্ৰদান কৰা হয় ।



KARIMGANJ BRANCH – Due to heavy rain and worst flood situation in Sribhumi(Karimganj) District, all the Educational Institutes are now closed here as directed by the local Administration. However, in this adverse situation also the Karimganj Branch of Assam Science Society arranged a Plantation Programme and a Meeting in the premises of Maharishi Vidya Mandir, Karimganj with the Members of the Branch and Teachers from the local Educational Institutions to observe the World Environment Day 2025.









ধেমাজি শাখাঃ ধেমাজি জিলাৰ পৰিৱেশ শিক্ষা কাৰ্যসূচীৰ জিলা ন'ডেল এজেন্সী অসম বিজ্ঞান সমিতি, ধেমাজি শাখাৰ উদ্যোগত, আৰ্য্যভট্ট বিজ্ঞান কেন্দ্ৰ, ধেমাজি খণ্ড আৰু নৱৰত্ন উচ্চ মাধ্যমিক বিদ্যালয়ৰ ইক' ক্লাৱৰ সহযোগত ৫ জুন ২০২৫ তাৰিখে নৱৰত্ন উচ্চ মাধ্যমিক বিদ্যালয়ত বিশ্ব পৰিৱেশ দিৱস উদযাপন কৰা হয়। সমিতিৰ পতাকা উত্তোলন কৰে সভাপতি লাৱণ্য লাহন চুতীয়াই। বৃক্ষ ৰোপনৰ কাৰ্য্যসূচীৰে দিনটোৰ শুভাৰম্ভ কৰে। অ বি স. ধেমাজি শাখাৰ কাৰ্য্যকৰী সভাপতি বীৰেন্দ্ৰ নাথ চেতিয়াই। মুকলি সভাৰ সভাপতি লাৱণ্য লাহন চুতীয়া। উদ্বোধক অৱসৰী শিক্ষয়িত্ৰী কৰবী দেউৰী, নিৰ্দিষ্ট বক্তা ড০ অন্নজ্যোতি গগৈ, অৱসৰী উপাধ্যক্ষ, ধেমাজি মহাবিদ্যালয়। সম্বৰ্ধনা জনোৱা হয় অৰ্কিড সংৰক্ষক ধেমাজি জিলাৰ টংকেশ্বৰ দলৈক। নিমন্ত্ৰিত অতিথি অৱসৰ প্ৰাপ্ত প্ৰধান শিক্ষক দুলাল চন্দ্ৰ ভূঞা। ছাত্ৰ ছাত্ৰীৰ মাজত প্ৰতিযোগিতা ১। চিত্ৰাংকণ ,২। ৰচনা, ৩ । পেলনীয়া সামগ্ৰীৰে প্ৰস্তুত কৰা বস্তু। সভাত সমিতিৰ বিষয় ববীয়াৰ সক্ৰিয় সদস্য জ্যোতি বুঢ়াগোহাঁই, বিকাশ বৰুৱা, শিক্ষক লীলাকান্ত লাহন, দেবানন্দ বৰগোঁহাই, ৰাজেশ দলে,উপেন দত্ত প্ৰমুখ্যে বিদ্যালয়ৰ শিক্ষকসকল আৰু কেইবাখনো বিদ্যালয়ৰ শিক্ষক - ছাত্ৰ ছাত্ৰী উপস্থিত থাকে। সমূহ কাৰ্যসূচীৰ আঁত ধৰে সম্পাদক ডিম্বেশ্বৰ কলিতাই ।

















আজি ইংৰাজী ০৫-০৬-২০২৫ তাৰিখে চিলাপথাৰ বিজ্ঞান জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগণত, অসম বিজ্ঞান সমিতি চিলাপথাৰ শাখাৰ সৌজন্যত, চিলাপথাৰ বিজ্ঞান জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ সহযোগত বিশ্ব পৰিবেশ দিৱস উদযাপন কৰা হয়। পুৱা প্ৰাত: সভাৰ পিছতে অসম বিজ্ঞান সমিতিৰ চিলাপথাৰ শাখাৰ সভাপতি বিজয় কান্ত কোঁৱৰ আৰু চিলাপথাৰ বিজ্ঞান জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ পৱিত্ৰ চিৰিং দেৱৰ সহযোগত বৃক্ষ ৰোপন কৰা হয়। ইয়াৰ পিছত ছাত্ৰ ছাত্ৰীৰ সকলৰ মাজত ছবি অকাঁ, আকস্মিক বক্তৃতা, কবিতা পাঠ, প্ৰৱন্ধ পাঠৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই কাৰ্য সূচীত আঁত ধৰে সম্পাদক দীপন দলে দেৱে। উক্ত কাৰ্য সূচীত শাখাৰ সভাপতি, বিদ্যালয়ৰ সকলো শিক্ষক শিক্ষয়িত্ৰী ও ছাত্ৰ-ছাত্ৰীয়ে সহযোগিতা আগবঢ়ায়। শেষত চিলাপথাৰ বিজ্ঞান শাখাৰ সভাপতি বিজয় কান্ত কোঁৱৰ দেৱৰ সভাপতিত্বত অনুষ্ঠিত হোৱা বটাঁ বিতৰণী সভাত প্ৰতিযোগিতাত বিজয়ী হোৱা ছাত্ৰ ছাত্ৰী সকলক চিলাপথাৰ বিজ্ঞান সমিতিৰ তৰফৰ পৰা মান পত্ৰ, কিতাপ, কলম পুৰস্কাৰ প্ৰদান কৰা হয় ।





শ্ৰীমন্ত শংকৰদেৱ সংঘৰ জোনাই জিলা শাখাৰ গছপুলি ৰোপণ

অসম বিজ্ঞান সমিতি চিলাপথাৰ শাখাৰ পৰিবেশ দিৱস পালন


অসম বিজ্ঞান সমিতি, লক্ষীপুৰ শাখাৰ উদ্যোগত
আৰু
ফেটেঙ্গাপাৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহযোগত
বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন - ২০২৫
মূলবিষয় ঃ বিশ্বব্যাপী প্লাষ্টিক প্ৰদূষণৰ অন্ত পেলাও আহক
মুখ্যবক্তা ঃ ৰাজকৃষ্ণ ডেকা, গণিত শিক্ষক, লঃ উঃ মাঃ বিঃ
স্থানঃ- ফেটেঙ্গাপাৰা উচ্চ মাধ্যমিক বিদ্যালয়
দিনাংক ঃ- ৫ জুন, ২০২৫








05/06/2025 11:00











নিয়মীয়া বাৰ্তা শুকুৰবাৰ, ৬ জুন, ২০২৫ অসম

বিজ্ঞান সমিতিৰ দক্ষিণ কামৰূপ শাখাৰ উদ্যোগ

## বিশ্ব পৰিৱেশ দিৱসত প্লাষ্টিক ব্যৱহাৰৰ ভয়াৱহতা সন্দৰ্ভত গুৰুত্বপূৰ্ণ সভা

নিয়মীয়া বাৰ্তা, কামৰূপ, ৫ জুন ঃ প্লাষ্টিকৰ পৰা নিৰ্মিত পলিথিন বেগত খাদ্য-সামগ্ৰী কঢ়িয়াই অনাটো একপ্ৰকাৰ বিপজ্জনক। গম নোপোৱাকৈয়ে ইয়ে আমাৰ বাবে সাংঘাতিক বিপদৰ কাৰণ হৈ পৰিব পাৰে। আজি অসম বিজ্ঞান সমিতিৰ দক্ষিণ কামৰূপ শাখাৰ উদ্যোগত সানপাৰা হাৰোপাৰা হাইস্কুলত আয়োজিত বিশ্ব পৰিৱেশ দিৱসৰ কাৰ্যসূচীত বিশিষ্ট অতিথি হিচাপে ভাগ লৈ দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক হৰিশংকৰ কাকতিয়ে এনেদৰে মন্তব্য কৰে। আমাৰ দৈনন্দিন জীৱনত প্লাষ্টিকৰ ব্যৱহাৰ কেনেকৈ হ্ৰাস কৰিব পৰা যায় সেই বিষয়ে অধ্যাপক কাকতিয়ে চমুকৈ পৰ্যালোচনা আগবঢ়ায়। সানপাৰা হাৰোপাৰা হাইস্কুল পৰিচালনা সমিতিৰ সভাপতি আনন্দৰাম দাসৰ সভাপতিত্বত হোৱা সজাগতামূলক সভাখনত নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰি জ্যেষ্ঠ সাংবাদিক বিমল শৰ্মাই প্লাষ্টিকৰ আৱৰ্জনাই মাটিৰ উৰ্বৰা শক্তি হ্ৰাস কৰাৰ পৰা আৰম্ভ কৰি ইয়ে জনস্বাস্থ্যলৈ যে তীব্ৰ ভাবুকি কঢ়িয়াই লৈ আহিছে সেই সম্পৰ্কে ছাত্ৰ-ছাত্ৰীৰ বোধগম্য হোৱাকৈ বক্তব্য ৰাখে। সানপাৰা হাৰোপাৰা হাইস্কুলৰ প্ৰধান শিক্ষক অমৰেন্দ্ৰ দাসৰ আদৰণী ভাষণেৰে আৰম্ভ হোৱা সজাগতামূলক সভাখনত অসম বিজ্ঞান সমিতিৰ দক্ষিণ কামৰূপ শাখাৰ সম্পাদক তথা প্ৰধান শিক্ষক প্ৰতাপ মালীয়ে অসম বিজ্ঞান সমিতিৰ দৃষ্টিভংগী ব্যাখ্যা কৰাৰ লগতে দক্ষিণ কামৰূপ শাখাই সমগ্ৰ অঞ্চলত প্ৰাকৃতিক পৰিৱেশৰ লগতে বিভিন্ন দিশত লৈ অহা কাৰ্যসূচীৰ বিষয়ে সভাক অৱগত কৰে আৰু সানপাৰা হাৰোপাৰা হাইস্কুলত আজিৰ কাৰ্যসূচী ৰূপায়ণ সম্পৰ্কতো আলোকপাত কৰে। সজাগতামূলক সভাখনত আমৰাংগা বৰিহটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ হংসধৰ চৌধুৰীয়ে নিজৰ নিজৰ ঘৰৰ চৌহদত পৰিৱেশৰ ভাৰসাম্য অক্ষুণ্ণ ৰখাত প্ৰতিটো পৰিয়ালে কৰিবলগীয়া কৰ্তব্য সম্পৰ্কে সু-পৰামৰ্শ আগবঢ়ায়। সভাত পৰিচালনা সমিতিৰ উপ-সভাপতি কুশল কৈৱৰ্ত, শিক্ষক-শিক্ষয়িত্ৰীবৃন্দকে ধৰি বিদ্যালয়ৰ দুই শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। পৰিৱেশ দিৱস উদযাপনৰ লগত সংগতি ৰাখি বিদ্যালয় চৌহদত বিশিষ্ট অতিথিদ্বয় হৰিশংকৰ কাকতি আৰু হংসধৰ চৌধুৰী, নিৰ্দিষ্ট বক্তা বিমল শৰ্মাই একোটিকৈ গছপুলি ৰোপণ কৰে।

গোৰেশ্বৰ শাখাঃ আজি ৫ জুন, ২০২৫ তাৰিখে অসম বিজ্ঞান সমিতি, গোৰেশ্বৰ শাখা আৰু আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, গোৰেশ্বৰ খণ্ডৰ উদ্যোগত পূব-কাউৰবাহা হাইস্কুলত দিনজোৰা কাৰ্যসূচীৰে এইবাৰৰ বিশ্ব পৰিৱেশ দিৱসটি উদ্‌যাপন কৰা হয়। প্ৰথমে অসম বিজ্ঞান সমিতিৰ পতাকা উত্তোলন কৰে গোৰেশ্বৰ শাখাৰ সভাপতি ডিম্বেশ্বৰ ৰাজবংশী ডাঙৰীয়াই। গছপুলি ৰোপন কৰে পূব-কাউৰবাহা এম ই স্কুলৰ প্ৰধান শিক্ষক ছণ্ডীচৰণ বসুমতাৰীদেৱে। তাৰপাছত ছাত্ৰ-ছাত্ৰীৰ মাজত পৰিৱেশ বিষয়ক চিত্ৰাংকন প্ৰতিযোগিতা আৰু মূল বিষয় "বিশ্বব্যাপী প্লাষ্টিক প্ৰদূষণৰ অন্ত পেলাও আহক"।ৰ ওপৰত বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। দুপৰীয়া অনুষ্ঠিত মুকলি আৰু বটাঁ বিতৰণী সভাত আলোচক যোগেন্দ্ৰ নাৰ্জাৰী, আব্দুল লতিফ চৌধূৰীৰ লগতে বহুকেইজন বক্তাই মূল বিষয়ৰ ওপৰত ভাষণ ৰখাৰ লগতে বিশ্ব পৰিৱেশ দিৱসৰ তাতপৰ্য ব্যাখ্যা কৰে।সভাত বিজয়ী ছাত্ৰ-ছাত্ৰীৰ মাজত বটাঁ বিতৰণ কৰা হয় আৰু শলাগৰ শৰাই আগবঢ়াই সামৰণি কৰা হয়।


















কলিয়াবৰ শাখাঃ কলিয়াবৰৰ চিকনী বৰহোলা উচ্চ মাধ্যমিক বিদ্যালয়ত ৩ আৰু ৫ জুনত দুদিনীয়া কাৰ্যসূচীৰে বিশ্ব পৰিৱেশ দিৱস উদযাপন কৰা হয়। ৩ জুনত ১০ খন বিদ্যালয়ৰ ৬০ গৰাকী শিক্ষাৰ্থীয়ে ছবি অঁকা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। ৫ জুনত শাখা বিজ্ঞান সমিতিৰ সভাপতিয়ে বিজ্ঞান সমিতিৰ পতাকা উত্তোলন কৰে। বকুল,নাহৰ আৰু ৰাধাচূড়াৰ তিনিটা গছপুলি ৰোপণ কৰে চিকনী বৰহোলা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক হেমন্ত বৰা, অৱসৰপ্ৰাপ্ত শিক্ষক ৰূপেশ্বৰ হাজৰিকা আৰু শাখাৰ সভাপতি গোলাপ চন্দ্ৰ শইকীয়াই। গছপুলিকেইটা ইটাৰ গাঁথনিৰে সুৰক্ষিত কৰা হয়। হাতে হাতে প্লে'কাৰ্ড লৈ পৰিৱেশ সুৰক্ষাৰ বাবে ধ্বনি তুলি শিক্ষাৰ্থী আৰু শিক্ষকৰ শোভাযাত্ৰাই স্থানীয় সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। শোভাযাত্ৰাটি মুকলি কৰে অৱসৰী শিক্ষক তথা অসম বিজ্ঞান সমিতিৰ আজীৱন সভ্য ভোগেশ্বৰ শইকীয়াই। শোভাযাত্ৰাৰ পিছত প্লে'কাৰ্ডৰ শ্লোগান আৰু বিজ্ঞান ভিত্তিক চাৰ্টৰ প্ৰদৰ্শন হয় আৰু মানসম্পন্ন শ্লোগান আৰু চাৰ্ট পুৰস্কাৰৰ বাবে বাচনি কৰা হয়। ইয়াৰ পিছতে আৰম্ভ হয় শিক্ষাৰ্থীৰ বিষয়ভিত্তিক বক্তৃতানুষ্ঠান।ছয়খন বিদ্যালয়ৰ ছয়গৰাকী শিক্ষাৰ্থীয়ে ছয়টা ভিন্ন বিষয়ৰ ওপৰত দিয়া বক্তৃতা অতিকে মনোগ্ৰাহী হৈছিল। বক্তৃতাত এখন পলিথিনমুক্ত ঘৰ, কৃষিত কীটনাশক, ফাষ্টফুডৰ অপকাৰিতা, কৃত্ৰিম বুদ্ধিমত্তাৰ ভাল-বেয়া আদি বিষয়বোৰ শিক্ষাৰ্থীসকলে সুন্দৰকৈ দাঙি ধৰাৰ উপৰিও প্ৰতিগৰাকী বক্তাৰ বক্তব্য সন্দৰ্ভত একোজন

একোজন শিক্ষকে সামৰণি মন্তব্য আগবঢ়াই জীপাল কৰা বক্তৃতানুষ্ঠানটি পৰিচালনা কৰে শিক্ষক নৃপেন শইকীয়াই। বক্তৃতানুষ্ঠানটি এটি সমবেত সংগীতেৰে আৰম্ভ কৰি এটি ঝুমুৰ নৃত্যৰে সমাপন কৰা হয়।এই নৃত্য-গীত চিকনী বৰহোলা উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে পৰিৱেশন কৰে। সভাত বিশ্ব পৰিৱেশ দিৱসৰ মূল বিষয় -"প্লাষ্টিক প্ৰদূষণ ৰোধ কৰোঁ আহক" শীৰ্ষক বক্তৃতা প্ৰদান কৰে নগাঁও মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ অধ্যাপক ললিত মোহন গোস্বামীয়ে। শিক্ষাৰ্থীৰ সৈতে আলাপৰ মাজেৰে প্লাষ্টিক প্ৰদূষণৰ ভয়াবহতা আৰু জনসাধাৰণৰ কৰণীয় সন্দৰ্ভত আৰু জনসাধাৰণৰ কৰণীয় সন্দৰ্ভত শ্ৰী গোস্বামীয়ে ৰসাল আৰু উপযোগী ভাষণ দিয়ে। ইয়াৰ পিছতে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি স্থানপ্ৰাপক সকলক মানপত্ৰ, গ্ৰন্থ আৰু একোটাকৈ নিমগছৰ পুলি প্ৰদান কৰা হয়। জাতীয় সংগীতেৰে সভাৰ সামৰণি পৰে।











ডিব্ৰুগড় শাখাই মানকটা হাইস্কুলত বিশ্ব পৰিৱেশ দিৱস উদযাপন কৰে। পৰিৱেশৱিদ আৰু সৰ্প বিশেষজ্ঞ টিকেন্দ্ৰজিৎ গগৈদেৱে প্ৰকৃতিৰ অনন্য অৱদান সাপ সম্পৰ্কত দৃশ্য-শ্ৰাব্য মাধ্যমৰ জৰিয়তে বিশদ ব্যাখ্যা আগবঢ়ায়। সভাপতি ড০ ভাৰতী দত্তৰ পৌৰহিত্যত অনুষ্ঠিত। অনুষ্ঠানত মুখ্য বক্তা গৰাকীক সম্বৰ্ধনা জনোৱা হয় সম্বৰ্ধনা পত্ৰ , স্মাৰক আৰু গামোছাৰে। পত্ৰ পাঠ কৰে কাৰ্যকৰী সভানেত্ৰী সুদক্ষিণা দাসে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক নাছিৰ চুলতানে।




















নলবাৰীৰ জিলাৰ বাতৰি দিওঁতা ঃ আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ নলবাৰী, অসম বিজ্ঞান সমিতি আৰু বিশেষভাৱে সক্ষম শিশুসকলৰ অনুষ্ঠান তপোবনৰ যুটীয়া উদ্যোগত আজি 'বিশ্ব পৰিৱেশ দিৱস' উদ্‌যাপন কৰা হয়। নলবাৰী জিলাৰ বালিকৰীয়া বাসুদেৱ বিদ্যাপীঠত আয়োজন কৰা অনুষ্ঠানৰ মুকলি সভাত সভাপতিত্ব কৰে বালিকৰীয়া বাসুদেৱ বিদ্যালয়ৰ প্ৰধান শিক্ষক দেৱনন্দ বৰ্মনে। সভাত ভাষণ দিয়ে বৰভাগ মহাবিদ্যালয়ৰ অধ্যাপক, পৰিৱেশ বিজ্ঞানী ডঃ














জামলাহি হাইস্কুলত পৰিৱেশ দিৱস
সজাগতামূলক
সভা-শোভাযাত্ৰা

বকো শাখাঃ পৃথিৱীৰ অন্যান্য প্ৰান্তৰ লগতে অসম বিজ্ঞান সমিতিৰ অন্তৰ্ভুক্ত বকো শাখায়ো ৫ জুন তাৰিখে বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপনেৰে পৃথিৱীৰ সুৰক্ষাৰ বাবে কিঞ্চিৎ হ'লেও অৰিহণা আগবঢ়াবলৈ প্ৰয়াস কৰে। দিৱসটি "বিশ্বব্যাপী প্লাষ্টিক প্ৰদূষণৰ অন্ত পেলাওঁ আহক (Ending Plastic Pollution Globally)" এই মূল বিষয়বস্তুক সাৰোগত কৰি সমিতিৰ বকো শাখাৰ উদ্যোগত আৰু ৰায়পাৰা চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয়ৰ সহযোগত বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হয়। "গছ থাকিলেহে জীৱন থাকিব" এই বাণীৰে উদ্বুদ্ধ হৈ প্ৰথমে দুটি গছ পুলি ৰোপণ কৰে ক্ৰমে অসম বিজ্ঞান সমিতি, বকো শাখাৰ বৰ্তমানৰ সভাপতি অৰবিন্দ চৌধুৰী আৰু বিদ্যালয়খনৰ প্ৰধান শিক্ষক ৰমেন্দ্ৰ কলিতাই ইয়াৰ পিছত শাখাৰ সভাপতিৰ সভাপতিত্বত উপ-সভাপতি ধ্ৰুৱজ্যোতি মেধিৰ উদ্দেশ্য ব্যাখ্যাৰে আৰু প্ৰধান শিক্ষক ৰমেন্দ্ৰ কলিতাৰ আদৰণি ভাষণৰ পিছতে মূল বিষয়বস্তুৰ ওপৰত অনুষ্ঠিত সজাগতা সভাত "প্ৰকৃতি বচাওক, পৃথিৱী বচাওক" ভাবেৰে উপস্থিত ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক-অভিভাৱিকাৰ লগত মত-বিনিময় কৰি ভাষণ প্ৰদান কৰে ক্ৰমে শাখাৰ প্ৰাক্তন সভাপতি গিৰীন্দ্ৰ কুমাৰ চৌধুৰী, প্ৰাক্তন কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য সুৰেন চন্দ্ৰ কলিতা আৰু শাখাৰ উপদেষ্টা গৌৰাংগ ঠাকুৰীয়াই । আজিৰ অনুষ্ঠানত বিদ্যালয় পৰিচালনা সমিতিৰ সভানেত্ৰী জানমণি ৰাভা, সহকাৰী শিক্ষক টকেশ্বৰ বড়ো , সহকাৰী শিক্ষয়িত্ৰী ৰীণা কলিতা আৰু জুনুকা দা কলেজ অৱ এডুকেশ্বন,বকোত ডি এল এড অধ্যয়নৰত ইণ্টাৰশ্বিপত বিদ্যালয়খনলৈ অহা ছাত্ৰী ক্ৰমে তৰালী কলিতা আৰু অষ্টমী ৰাভাৰ লগতে বিদ্যালয়খনৰ ৰন্ধন কৰ্মী পদুমী চৌধুৰী আৰু জয়া দাস, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক-অভিভাৱিকা। বিশেষভাৱে ধন্যবাদ জনোৱা হয়









ৰোপণৰ বাবে গছ পুলি যোগানকাৰী শিংৰা বনাঞ্চলিক বিষয়া ভাৰ্গৱ হাজৰিকা, বন পালক প্ৰাঞ্জল বে আৰু শাখাৰ সহকাৰী সম্পাদক নৱ কুমাৰ নাথক। বেনাৰখন ৰং-তুলিকাৰে সজাই দিয়ে ফণীন্দ্ৰ ৰাভাই।

ডিমৌ শাখাঃ অসম বিজ্ঞান সমিতি ডিমৌ শাখাৰ উদ্যোগত খঙ্গীযা বাগিচা আদর্শ উ:মা: বিদ্যালয়ৰ সহযোগত বিশ্বপৰিবেশ দিৱস ৰ কার্যসূচী শাখা আৰু বিদ্যালয়ৰ পতকা উত্তোলনৰে আৰম্ভ কৰা হয শাখাৰ সভাপতি শ্রীযুত যাদৱ চাংমাই আৰু বিদ্যালয়ৰ অধক্ষ্য শ্ৰীযুত নাৰায়ণ গগৈ। শোভাযাত্ৰাৰ কাৰ্যসূচী শুভ আৰম্ভণি কৰে ডিমৌ মহাবিদ্যালয়ৰ অৱসৰপ্রাপ্ত সহযোগী অধ্যাপিকা হামিদে বেগমে । শাখাৰ সভাপতি শ্রীযুত যাদব চাংমাই সভাপতিত মুকলি সভা উদ্বোধন কৰে অসম বিজ্ঞান সমিতিৰ ডিমৌ শাখাৰ প্ৰথম সম্পাদক তথ পাক্তন সভাপতি শ্রীযুত ঘনকান্ত গগৈ। মুলবিষয ওপৰত ভাষণ প্রদান কৰে বি :চি: পি:এল: ডিব্রুগড়ৰ ডঃ প্ৰাঞ্জল বেজবৰুৱাই তেখেতে প্লাষ্টিকৰ পৰা হোৱা আমাৰ অপকাৰ সম্পকে চাত্ৰ চাত্ৰী ৰ উপযোগী ও সাৰুৱা ভাষণ প্রদান কৰে লগতে অসম বিজ্ঞান সমিতিৰ যুতিযা সম্পাদক অৰুপ কুমাৰ দত্ত ই পৰিবেশ দিৱস উপলক্ষে এগণ্ডা (৪) ভাল খবৰ (১). সেউজীয়া মৰুভূমি (২) ফৰ অ ছিযান (৩ ) জলবায়ু অংশীদাৰিত্ব (৪) ৱান ট্রি প্লেন্টেড. সম্পকে চাত্ৰ চাত্ৰী সকলক জনায। অসম বিজ্ঞান সমিতি ডিমৌ শাখাই প্রতি বছৰে প্রদান কৰি অহা প্ৰয়াত থানেৰ গগৈ সোৱৰনি ২০২৫ বছৰৰ বটা ভিমৌ চায়েঞ্চ একাডেমীৰ পৰা H S Final (Science) শাখাত (90.8) শতাংশ নম্বৰ সহ পাচকৰা ছাত্ৰ ছাত্ৰী হৰিপ্ৰিয়া কলিতাক প্রদান কৰা হয। বিদ্যালয়ৰ অধক্ষ্য শ্রীযুত নাৰায়ণ গগৈ দেৱে সকলোকে উদেশ্যি এক সুন্দৰ ভাষণ প্রদান কৰে বিদ্যালয়ৰ শিক্ষয়ত্রী মিতালী বৰগোহাঁই যে এটি গীত ৰে সকলোকে সলাগৰ শৰাই আগবঢ়াই.। সভাপতিত এক সাৰুৱা ভাষণ ৰে আজিৰ পৰিবেশ দিৱসৰ কায্যৰ্ক্ষম সামৰনি মাৰে।




















Observation of
WORLD ENVIRONMENT DAY-2025
CELEBRATION
COMBATING PLASTIC POLLUTION
'GREAT BATTLE AGAINST PLASTIC POLLUTION'
Organized By: NATIONAL SERVICE SCHEME (NSS), PUB KAMRUP COLLEGE
In Collaboration With: ASSAM SCIENCE SOCIETY, PUB KAMRU BRANCH
& MADAN KAMDEV HIGH SCHOOL, BAIHATA CHARIALI, KAMRUP-ASSAM
Venue: MADAN KAMDEV HIGH SCHOOL
Time: 10:00 AM
Date: 05/06/2025
PROGRAMME:
Art Competition on the theme of Plastic Pollution (Class VI To X)
Competition on One time use plastic Collection from own campus or public place with action photographs
Send photographs to WhatsApp No. 9365424064
Bring collected plastic to the venue


CAREER GUIDANCE CORNER


















Tezpur Branch- The Tezpur Branch of Assam Science Society, in collaboration with the Institution's Innovation Council (IIC), Darrang College, and the Department of Zoology, Darrang College (Zoological Society of Assam, ZSA-Unit), celebrated "World Environment Day" on June 5, 2025, at Darrang College, Tezpur. The World Environment Day in 2025 has been focused on 'Ending plastic pollution globally'. On this occasion, Darrang College organized sapling plantations on the college premises, an essay competition on the theme "Impact of plastic pollution on the environment, wildlife, and human health: strategies to end plastic pollution," an extempore speech competition among students, and talks on environmental awareness.

The environmental day celebration began with the plantation of saplings in Darrang College premises, followed by a welcome speech by Dr. Palash Moni Saikia, principal of Darrang College. Dr. Saikia has highlighted the importance of the World Environment Day celebration and prospects of microbial biotechnology and asked the students for their active participation in the "Green Campus initiatives of Darrang College" to reduce pollution and promote health. Dr. Saikia highlighted the promising scope of microbial research for plastic management, focusing on both biodegradation and upcycling. Students from various institutions in Tezpur and the faculty members and the Ph.D. research scholars of Darrang College have attended the "World Environment Day" celebration.


বিশ্ব পৰিৱেশ দিৱস




মেলা


- BODHANA NGO




2025/06/05 14:38

Hailakandi Branch- Assam Science Society Hailakandi Branch observed World Environment Day today in the premises of S.S.College Hailakandi. Along with other programmes, a plantation drive was carried out in the campus. Dr Ratan Kumar, the principal of S.S.College released the magazine "Go Green" on the occasion of WED












দেৰগাঁও শাখা আৰু প্ৰকৃতি সংগঠন 'আশ্ৰয়'ৰ উদ্যোগত আৰু গণকপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহযোগত পৰিৱেশ দিৱস পালন কৰা হয়। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি জিতুল বৰাই গছপুলি ৰোপণৰে আৰম্ভ হোৱা কাৰ্যসূচীত গোলাঘাট জিলা ভিত্তিত কুইজ, পোষ্টাৰ প্ৰদৰ্শন আৰু বক্তৃতা প্ৰতিযোগিতাত বহু সংখ্যক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। শাখাৰ সভাপতি ড০ মনোজ জ্যোতি হাজৰিকাই সভাপতিত্ব কৰা সভাৰ আঁত ধৰে সম্পাদক ড০ সঞ্জয় কুমাৰ হাজৰিকাই। গোলাঘাটৰ বিদ্যালয় পৰিদৰ্শক হেমগিৰি নৰহ আৰু সহকাৰী আয়ুক্ত অভিলাষ দাসে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। ড০ মিনুৱাৰা বেগমে মূল বিষয়ত বক্তৃতা প্ৰদান কৰে। সভাত বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী উৰ্মিমালা দেৱী উপস্থিত থকে।



সৰুপেটা শাখাঃ অসম বিজ্ঞান সমিতিৰ সৰুপেটা শাখাই বিশ্ব পৰিবেশ দিৱস উপলক্ষে বৃক্ষৰোপণ কৰা বিভিন্ন আলোকচিত্ৰ...







Kapili Valley Branch– Celebration of World Environment Day 2025 by Assam Science Society, Kapili Valley Branch, West Karbi Anglong District.















**জাগীৰোড শাখাঃ** অসম বিজ্ঞান সমিতি জাগীৰোড শাখা আৰু যোগপ্ৰজ্ঞা অসমৰ যুটীয়া উদ্যোগত আৰু বহা বৰজাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত আজি দিন জোৰা কাৰ্যসূচীৰে বিশ্ব পৰিৱেশ দিৱস বহা বৰজাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত উদ্ যাপন কৰা হয়। কাৰ্যসূচীৰ অংশ হিচাপে পূৱাৰ ভাগত কেইবা বিধো থলুৱা ফলৰ গছ পুলি ৰোপন কৰাৰ উপৰিও ছাত্ৰ-ছাত্ৰীৰ মাজত পৰিৱেশ সম্পৰ্কীয় চিত্ৰাঙ্কণ আৰু বিজ্ঞান ভিত্তিক এখনি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। বহা বৰজাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা প্ৰস্তুত কৰা প্লাষ্টিক ব্যৱহাৰ পৰিহাৰ কৰা বিষয় সম্বলিত প্লেকাৰ্ড প্ৰদৰ্শন কৰা হয়। মুকলি সভাত বিশ্ব পৰিৱেশ দিৱস ২০২৫ৰ মূল বিষয়ৰ ওপৰত ক্ৰমে ৰাটুমণি দাস, ৰাধিকা ৰিমল, ড: চোহেইল আহমেদে বক্তৃতা প্ৰদান কৰে। অসম বিজ্ঞান সমিতিৰ মূল লক্ষ্য আৰু উদ্দেশ্য আগত ৰাখি চমু বক্তৃতা প্ৰদান কৰে ড: আনন্দৰাম বুঢ়াগোহাঁঞি আৰু শাখাৰ সম্পাদক ড: ভৃগু কলিতাই।
















কুমাৰীকাটা শাখাঃ আজি ৫ জুন ২০২৫ ইং তাৰিখ বৃহস্পতিবাৰে অসম বিজ্ঞান সমিতি কুমাৰীকাটা শাখাৰ উদ্যোগত আৰু ১০ নং কুমাৰীকাটাৰ বিদ্যালয় সমূহৰ সহযোগত কুমাৰীকাটা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিশ্ব পৰিবেশ দিৱস উদযাপন কৰা হয়। দিনযোৰা কাৰ্যসূচীৰে ৰাতিপুৱা ৮.৩০ বজাত স্বচ্ছতা , ৯:৩০ বজাত বৃক্ষৰোপন , ১০.০০ বজাত আকস্মিক বক্তৃতা আৰু কুইজ ,১২:০০ বজাত লঘু আহাৰ গ্ৰহণ ,আৰু ১২:৩০ বজাৰ পৰা মুকলি সভা আৰু বঁটা বিতৰণি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। কুমাৰীকাটা অঞ্চলৰ ১২ খন বিদ্যালয়ে অংশগ্ৰহণ কৰা অনুষ্ঠানটোত সভাপতিত্ব কৰে বিজ্ঞান সমিতি কুমাৰীকাটা শাখাৰ সভাপতি শ্ৰীযুত বুদ্ধ চেত্ৰী মহাশয়ে আৰু সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক শ্ৰীযুত বিশ্বজিৎ বৈশ্য মহোদয়ে। সভাত নিৰ্দিষ্ট বক্তা মঃ চিৰাজ আলী মহোদয়ে প্লাষ্টিক প্ৰদূষণ আৰু ইয়াৰ পৰা পৰিবেশ কেনেদৰে ৰক্ষা কৰিব পাৰি তাৰ বিষয়ে বহুমূলীয়া ভাষণ প্ৰদান কৰে। ইয়াৰ পিছত ছাত্ৰ ছাত্ৰীৰ মাজত বঁটা বিতৰণ কৰা হয়। সদৌ শেষত সভাপতি মহোদয়ে বৈজ্ঞানিক দৃষ্টিভংগীৰে সাৰুৱা ভাষণ আগবঢ়ায় আৰু সভা ভংগ দিয়ে।















অসম বিজ্ঞান সমিতি, পাখিমৰীয়া বিজ্ঞান সমিতিৰ উদ্যোগত
আৰু
শংকৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত
বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন
মূল বিষয় ঃ বিশ্বব্যাপী সৃষ্টি হোৱা প্লাষ্টিক প্ৰদূষণ ৰোধ
দিনাংক ঃ ৫ জুন, ২০২৫
বৃক্ষ ৰোপন
পৰিৱেশ সম্পৰ্কীয় ঘূৰণীয়া মেজমেল
মুকলি কুইজ প্ৰতিযোগিতা
স্থান ঃ শংকৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়, উজৰাগাঁও, নগাঁও (অসম)




বিজ্ঞান বঁটা - ২০২৫










অসম বিজ্ঞান সমিতিৰ মধ্য ছয়দুৱাৰ শাখাৰ উদ্যোগত আৰু কনকলতা আদৰ্শ ছোৱালী হাইস্কুলৰ ইক' ক্লাবৰ সহযোগত দিনযোৰা কাৰ্যসূচীৰে বিশ্ব পৰিবেশ দিৱসৰ কাৰ্যসূচী ৰূপায়ন কৰা হয়। পূৱা ৯ বজাত পৰিবেশ নিকাকৰণ কাৰ্যসূচীৰে আৰম্ভ কৰা অনুষ্ঠানটোত বিদ্যালয় খনৰ চৌহদত ৫ টা মূল্যবান গছপুলি ৰোপন কৰা হয়। ছাত্ৰ ছাত্ৰীসকলৰ মাজত মুকলি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। অসম বিজ্ঞান সমিতিৰ মধ্য ছয়দুৱাৰ শাখাৰ সভাপতি নীলমণি শৰ্মাৰ সভাপতিত্বত আৰম্ভ হোৱা মুকলি সভাখনত কনকলতা আদৰ্শ ছোৱালী হাইস্কুলৰ ছাত্ৰীসকলে এটি আৰম্ভনি গীত পৰিৱেশন কৰে। সভাখনত জ্যোতি আগৰৱালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ ৰাম নাৰায়ন গোস্বামী, জ্যোতি আগৰৱালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰে অৱসৰ প্ৰাপ্ত শিক্ষক ভোজৰাজ উপাধ্যায় আৰু প্ৰফুল্ল বৰুৱা, কনকলতা আদৰ্শ ছোৱালী হাইস্কুলৰ বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি নিৰ্মালী হাজৰিকাকে আদি কৰি স্থানীয় কেইবাগৰাকী সামাজিক ব্যক্তিৰ লগতে বিদ্যালয় খনৰ সকলো শিক্ষক শিক্ষয়িত্ৰী উপস্থিত থাকি সভাখনৰ সৌষ্ঠৱ বৃদ্ধি কৰে । "বিশ্বব্যাপি প্লাষ্টিক প্ৰদূষণৰ অন্ত পেলাওঁ আহক" এই বিষয়ৰ ওপৰত তথ্য সমৃদ্ধ মনোগ্ৰাহী বক্তব্য আগবঢ়ায় জ্যোতি আগৰৱালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত শিক্ষক তথা অসম বিজ্ঞান সমিতিৰ জ্যেষ্ঠ আজীৱন সদস্য প্ৰফুল্ল বৰুৱাই। কনকলতা আদৰ্শ ছোৱালী হাইস্কুলৰ ইক' ক্লাবৰ উদ্যোগত এখন পৰিবেশ সংৰক্ষণ সম্পৰ্কীয় শিশু নাটক পৰিবেশন কৰে।শিক্ষয়িত্ৰী কবিতা শইকীয়া আৰু শিক্ষক অপূৰ্ব শৰ্মাৰ যুটীয়া পৰিচালনাত "পৰুৱা আৰু ফৰিং" শীৰ্ষক নামৰ এখন নাটক পৰিবেশন কৰে । বিদ্যালয় খনৰ ইক' ক্লাবৰ ভাৰ্মিকম্পজৰ প্ৰকল্পটো উন্মোচন কৰে অসম বিজ্ঞান সমিতিৰ মধ্য ছয়দুৱাৰ শাখাৰ সভাপতি নীলমণি শৰ্মাই। সমিতিৰ মধ্য ছয়দুৱাৰ শাখাৰ সম্পাদক কেশৱ শৰ্মাই অনুষ্ঠাটোৰ শেষত শলাগৰ শৰাই আগবঢ়ায়।







ইংৰাজী ০৫/০৬/২০২৫ তাৰিখে অসম বিজ্ঞান সমিতি, ঢকুৱাখনা শাখা আৰু মেগামিক্স প্ৰকৃতি সংঘৰ উদ্যোগত ঢকুৱাখনা কলেজিয়েট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত বিশ্ব পৰিৱেশ দিৱস উদযাপন কৰা হয়। অসম চৰকাৰৰ পৰিৱেশ মিত্ৰ বঁটা প্ৰাপক দেৱজিৎ ফুকনে সমল ব্যক্তি হিচাপে উপস্থিত থকা সভাখনত অসম বিজ্ঞান সমিতি, ঢকুৱাখনা শাখাৰ উপসভাপতি পৰমানন্দ দত্ত আৰু মুখ্য উপদেষ্টা লিখন চন্দ্ৰ বুঢ়াগোহাঁই লগতে কেইবাজনো আজীৱন সদস্য উপস্থিত থাকে। পৰিৱেশ, প্ৰকৃতি আৰু প্লাষ্টিকৰ ভয়াবহতা বিষয়ক শিক্ষক প্ৰশিক্ষণ কৰ্মশালা অনুষ্ঠিত হয় মেগামিক্স প্ৰকৃতি সংঘৰ সভাগৃহত। ঢকুৱাখনা সমজিলাৰ ২৫ খন উচ্চ মাধ্যমিক বিদ্যালয়ৰ ৫০ জন শিক্ষক শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰা কৰ্মশালাখন আঁতধৰে অসম বিজ্ঞান সমিতি, ঢকুৱাখনা শাখাৰ সম্পাদক বিমান সন্দিকৈয়ে। কৰ্মশালা খন উদ্বোধন কৰে অসম বিজ্ঞান সমিতি, ঢকুৱাখনা শাখাৰ সভাপতি দিগেন্দ্ৰ নাথ হাজৰিকাদেৱে।



সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে অসম বিজ্ঞান সমিতিৰ উপসভাপতি ডঃ অমল চন্দ্ৰ দত্ত আৰু পৰিৱেশ মিত্ৰ দেৱজিৎ ফুকনদেৱে। কৰ্মশালাখনত ঢকুৱাখনা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ডঃ নৰেন্দ্ৰ নাথ দত্ত দেৱেও উপস্থিত সকলক বিজ্ঞান, প্ৰকৃতি আৰু প্লাষ্টিকৰ ব্যৱস্থাপনা বিষয়ক বক্তব্য আগবঢ়াই। আজিৰ কৰ্মশালাত অসম বিজ্ঞান সমিতিৰ উপদেষ্টা লিখন চন্দ্ৰ বুঢ়াগোহাঁই, প্ৰফুল্ল চুতীয়া, পৰমানন্দ দত্ত, চেনিৰাম বৰুৱা আদি বহু কেইজন আজীৱন সদস্য উপস্থিত থাকে ।





Moran Branch- On the occasion of world environment day 2025; Assam science society took the previledge for planting saplings at Moran Public School. A renowned retired professor Ranu Boruah and Dr. Probhat Bora gave a beautiful speech regarding "ENDING PLASTIC POLLUTION GLOBALLY". Students came forward and participated in the competition delivering speeches for the same topic. Prizes were distributed according to the performances. Senior lifetime member of Assam Science Society Jugesh Phukan was also being felicitated.
















বৰপেটা শাখাঃ অসম বিজ্ঞান সমিতি, বৰপেটা শাখাৰ উদ্যোগত আৰু বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ সহযোগত স্থানীয় জুৰোৰাম পাঠক ছোৱালী হাইস্কুলত ২০২৫ চনৰ বিশ্ব পৰিৱেশ দিৱস উদযাপন কৰা হয়। এইবাৰৰ বিশ্ব পৰিৱেশ দিৱসৰ বিষয়বস্তু আছিল "বিশ্বব্যাপী প্লাষ্টিক প্ৰদূষণৰ অন্ত পেলাও আহক"। বিষয়বস্তুৰ ওপৰত সজাগতামূলক বক্তৃতা প্ৰদান কৰে এম চি কলেজৰ ৰসায়ন বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা ড° নিবেদিতা গগৈয়ে। তেওঁৰ বক্তৃতাত ড° গগৈয়ে ছাত্ৰ-ছাত্ৰীসকলৰ বোধগম্য হোৱাকৈ বৰ্তমান ব্যৱহৃত বিভিন্ন ধৰণৰ প্লাষ্টিকৰ বিষয়ে আলোচনা কৰে, লগতে এইবোৰে সৃষ্টি কৰা পৰিৱেশ আৰু স্বাস্থ্যজনিত সমস্যাৰ বিষয়ে ব্যাখ্যা কৰে। তেখেতে প্লাষ্টিক সামগ্ৰীৰ পুনঃব্যৱহাৰ আৰু পুনৰাবৰ্তনৰ ব্যৱহাৰিক পদ্ধতিৰ বিষয়ে আলোচনা কৰে আৰু ছাত্ৰীসকলক

দৈনন্দিন জীৱনত প্লাষ্টিকৰ ব্যৱহাৰ কম কৰিবলৈ অনুপ্ৰাণিত কৰে। অনুষ্ঠানৰ সামৰণিত শলাগৰ শৰাই আগবঢ়ায় এম চি কলেজৰ ইংৰাজী বিভাগৰ মুৰব্বী ড° ইন্দ্ৰজ্যোতি ৰয় চৌধুৰীয়ে।


অসম বিজ্ঞান সমিতিৰ বজালী শাখাৰ উদ্যোগত
আৰু
দক্ষিণ বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত
বিশ্ব পৰিৱেশ দিৱস উদযাপন
মূল বিষয় ঃ-'বিশ্বব্যাপী প্লাষ্টিক প্ৰদূষণৰ অন্ত পেলাও আঁহক'
জুন,২০২৫


GPS Map Camera
Bargandubi, Assam, India
Milanpur Chowk (jalikhata), Dist - Barpeta (assam) 781375, Bargandubi, Assam 781326, India
Lat 26.468712° Long 91.21461°
05/06/2025 11:21 AM GMT +05:30
Google


GPS Map Camera
Bargandubi, Assam, India
F697+hvp, Bargandubi, Assam 781326, India
Lat 26.469201° Long 91.214391°
05/06/2025 01:16 PM GMT +05:30
Google


GPS Map Camera
Bargandubi, Assam, India
F697+hvp, Bargandubi, Assam 781326, India
Lat 26.468847° Long 91.214673°
05/06/2025 11:11 AM GMT +05:30
Google


অসম বিজ্ঞান সমিতি বজালী শাখাৰ উদ্যোগত
আৰু
দক্ষিণ বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত
বিশ্ব পৰিৱেশ দিৱস উদযাপন
মূল বিষয় ঃ-'বিশ্বব্যাপী প্লাষ্টিক প্ৰদূষণৰ অন্ত পেলাও আঁহক'
(Ending Plastic Pollution Globally)
৫ জুন,২০২৫
স্থানঃ- দক্ষিণ বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়,জালিখাটা



গৌৰীসাগৰ-দিখৌমুখ শাখাঃ অসম বিজ্ঞান সমিতিৰ গৌৰীসাগৰ-দিখৌমুখ শাখাৰ সৌজন্যত আৰু শান্তিপুৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহযোগত আজি ৫ জুনৰ বিশ্ব পৰিৱেশ দিৱস বিভিন্ন কাৰ্যসূচীৰে উদযাপন কৰা হয়। এই উপলক্ষে পুৱা সমিতিৰ পতাকা উত্তোলন কৰে সভাপতি প্ৰশান্ত কুমাৰ নেওগে আৰু আদৰণি ভাষণ প্ৰদান কৰে বিদ্যালয়ৰ প্ৰধান শিক্ষক বিজয় কৃষ্ণ দত্তই। বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি বিদ্যালয় চৌহদত বৃক্ষৰোপণ কাৰ্যসূচী



সম্পন্ন কৰা হয়। দুপৰীয়া বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলৰ লগত প্লাষ্টিকৰ ব্যৱহাৰ আৰু ইয়াৰ অপকাৰীতা বিষয়ক এক অন্তৰংগ ভাব বিনিময় কাৰ্যসূচী অনুষ্ঠিত হয়। বিদ্যালয়ৰ শিক্ষক প্ৰাঞ্জল দত্তই আত ধৰি আৰম্ভ কৰা অনুষ্ঠানটোত সমিতিৰ হৈ সম্পাদক ডঃ নৱজ্যোতি বৰা, পল্লৱ কলিতা আৰু যুগল শইকীয়াই পৰিৱেশ সংৰক্ষণৰ গুৰুত্ব আৰু প্লাষ্টিকৰ ব্যৱহাৰৰ অপকাৰিতাৰ দিশবোৰ বিশ্লেষণ কৰি বক্তব্য প্ৰদান কৰে। অনুষ্ঠানৰ শেষত চিত্ৰাংকন প্ৰতিযোগিতাৰ বিজয়ী ছাত্ৰ ছাত্ৰীসকলক মানপত্ৰ প্ৰদান কৰা হয়। সমিতিৰ হৈ অনুষ্ঠানত অমল বৰা, সন্দীপন ভট্টাচাৰ্য, সমৰ নাৰায়ণ বৰা, অনন্ত দত্ত, তৃপ্তি বৰা, দিপ্তী বৰা, পল্লৱী বৰা, কাব্যশ্ৰী বৰা আদিয়েও যোগদান কৰে।






World Environment Day - 2025
Organised by
Aryabhatta Science Centre, Laokhowa Block
Assam Science Society, Ambagan Branch
In Association with
GPS Map Camera
Karoiguir, Assam, India
Gr33+qr8, Karoiguir, Assam 782140, India
Lat 26.504326° Long 92.804304°


Karoiguir, Assam, India
Gr43+hgg, Chariali, Karoiguir, Assam 782140, India
Lat 26.506268° Long 92.803703°




GPS Map Camera
Karoiguir, Assam, India
Gr33+qr8, Karoiguir, Assam 782140, India
Lat 26.50435° Long 92.804319°
05/06/25 12:24 PM GMT +05:30
Google


Organised by
Aryabhatta Science Centre, Laokhow
Assam Science Society, Ambagan
In Association with
GPS Map Camera
Lailuri, Assam, India
Gr43+4qw, Lailuri, Karoiguir, Assam 782140, India
Lat 26.505233° Long 92.804246°
05/06/25 01:05 PM GMT +05:30
Google


GPS Map Camera
Karoiguir, Assam, India
Lailuri, Rupahihat, Nagaon (assam), Gr24+cf9, Karoiguir,

বিহপুৰীয়া শাখাঃ অসম বিজ্ঞান সমিতিৰ বিহপুৰীয়া শাখাই উদযাপন কৰা বিশ্ব পৰিৱেশ দিৱসৰ কিছু মূহুৰ্ত













GPS Map Camera
Ambari, Assam, India


সমগ্ৰ শিক্ষা
Samagra Shiksha
LiFE
PM SHRI
অসম বিজ্ঞান সমিতি, হাউলী শাখাৰ উদ্যোগত
আৰু
হাউলী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত
বিশ্ব পৰিৱেশ দিৱস উদযাপন, ২০২৫
Eco Clubs for Mission LiFE
# এজোপা বৃক্ষ আইৰ নামত
# एक_पेड़_माँ_के_नाम
#Plant4Mother
Theme : "Ending Plastic Pollution Globally"
দিনাংক ঃ ৫ জুন, ২০২৫
HOWLY HIGHER SECONDARY SCHOOL
U-DISE CODE : 18050207805
BLOCK : BHAWANIPUR, CLUSTER : AMBARI
DIST : BARPETA, ASSAM, PIN-781316


GPS Map Camera
Ambari, Assam, India
Howly Town, Ambari, Assam 781316, India
Lat 26.420104° Long 90.972834°
05/06/2025 12:10 PM GMT +05:30
Google







ASSAM SCIENCE SOCIETY, SIVASAGAR BRANCH
& SIBSAGAR UNIVERSITY
World Environment Day, 2025
Ending Plastic Pollution Globally
Sivasagar, Assam, India
Xj3g+4x3, Joysagar, Assam 785665, Ind
Sivasagar, Assam 785665, India
Lat 26.952697° Long 94.62751°
05/06/2025 02:40 PM GMT +05:30
Google


GPS Map Camera
Dicial Dhulia Gaon, Assam, India
Xj2g+vxg, Joysagar, Dicial Dhulia Gaon, Assam
785665, India
Lat 26.95225° Long 94.627312°
05/06/2025 03:10 PM GMT +05:30
Google


GPS Map Camera


GPS Map Camera




POET NILMANI PHOOKAN AUDITORIUM
LALIT CHANDRA BHARALI COLLEGE, MALIGAON, GUWAHATI-11
One Earth, One Chance
The 2025 Environmental Pledge
GPS Map Camera
Guwahati,Assam,India
Ambikagiri Path, Mali Gaon, Guwahati, Assam
781009, India
Lat 26.159790, Long 91.711431
06/05/2025 11:56 AM GMT+05:30
Note : Captured by GPS Map Camera


GPS Map Camera
Guwahati,Assam,India
Ambikagiri Path, Mali Gaon, Guwahati, Assam
781009, India
Lat 26.159968, Long 91.711335
06/05/2025 09:57 AM GMT+05:30
Note : Captured by GPS Map Camera


GPS Map Camera
Guwahati,Assam,India
Ambikagiri Path, Mali Gaon, Guwahati, Assam
781009, India
Lat 26.159789, Long 91.711411
06/05/2025 09:23 AM GMT+05:30
Note : Captured by GPS Map Camera


অসম বিজ্ঞান সমিতি পাটাছাৰকুছি শাখা আৰু
আৰ্য্যভট্ট বিজ্ঞান কেন্দ্ৰ বজালী জিলাৰ যৌথ উদ্যোগত
বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন, ২০২৫
মূল বিষয় ঃ "গোলকীয় ভাৱে প্লাষ্টিক প্ৰদূষণ শেষ কৰো আহঁক"
স্থান ঃ ৬৪ নং পাটাছাৰকুছি নিম্ন বুনিয়াদী বিদ্যালয়।
দিনাংক ঃ ৫ জুন, ২০২৫ ইং










WORLD ENVIRONMENTAL DAY
Observe By- ASSAM SCIENCE SOCIETY
TUMPRENG BRANCH
Date :- 5 th June, 2025
Venue :- BHELLAPARA H.S. SCHOOL


West Karbi Anglong, Assam, India
2p3c+379, Assam 782485, India
Lat 26.002487° Long 92.720883°
05/06/25 11:51 AM GMT +05:30






BHELLAPARA HIGH SCHOOL

Simla Branch- Plantation program on the occasion of World Environment Day, 5th June, 2025 organised by Assam Science Socirty, Simla Branch at N.K.Betbari High School, Baksa.











অসম বিজ্ঞান সমিতি
পুৰণিগুদাম শাখাৰ উদ্যোগত
বিশ্ব-পৰিবেশ দিৱস
দিনাংক ঃ ৫ জুন
GPS Map Camera
Kachari Gaon, Assam, India
9q5p+g29, Kachari Gaon, Assam 782141, India




GPS Map Camera




GPS Map Camera

মৰিগাঁও শাখাঃ বিশ্ব পৰিবেশ দিৱস উপলক্ষে শাখাৰ প্ৰস্তাৱিত বিজ্ঞান ভৱনৰ প্ৰাংগনত পুৰা ৮.১৫ বজাৰ পৰা গছপুলি ৰোপন কাৰ্যসূচী আৰম্ভ কৰা হয়। ইয়াৰ পাছত অসম বিজ্ঞান সমিতি ,মৰিগাঁও শাখাৰ উদ্যোগত আৰু দন্দুৱা মজলীয়া বিদ্যালয়ৰ সহযোগত বিশ্ব পৰিবেশ দিৱস পালন কৰা হয়। গছ পুলি ৰোপন কাৰ্যসূচী আৰম্ভ কৰা হয়। তাৰ পাছতেই আৰম্ভ হোৱা সজাগতা ৰেলি কাৰ্যসূচীত মজলীয়া বিদ্যালয়ৰ উপৰিও, দন্দুৱা হাইস্কুলৰ আৰু বনপৰা মজলীয়া বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰে, ছাত্ৰ-ছাত্ৰী সকলে পথত বিভিন্ন জন লোকক গছপুলি প্ৰদান কৰি ৰুবলৈ কৈ আৰু লালন পালনৰ প্ৰতিশ্ৰুতি আদায় কৰে। ইয়াৰ পাছতেই অনুষ্ঠিত সভাত বক্তৃতা প্ৰদান কৰে সমিতিৰ প্ৰধান সচিব শ্ৰী মৃণাল কুমাৰ হাজৰিকা দেৱে। আজীৱন সদস্য ম.খাইৰুল ইছলাম আৰু শাখাৰ সম্পাদক শ্ৰী নিৰোদ কুমাৰ বৰায়েও চমুকৈ ভাষণ ৰাখে। ইয়াৰ পাছত ছাত্ৰ ছাত্ৰীৰ মাজত কুইজ আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতা আজীৱন সদস্য শ্ৰী আকাশ ডেকাৰ পৰিচালনাত অনুষ্ঠিত হয় আৰু পুৰস্কাৰ প্ৰদান কৰা হয়। অন্তত মজলীয়া বিদ্যালয় খনিৰ প্ৰধান তথা সভাৰ সভাপতি যে সভাপতিৰ মন্তব্য প্ৰদান কৰে। সলাগৰ শৰাই আগবঢ়াই শাখাৰ আজীৱন সদস্য শ্ৰীবিমান দাসে। আৰু DNA ECO clubs, Morigaon , Assam science society, Morigaon Branch ৰ দ্বাৰা বিশ্ব পৰিবেশ দিৱস, Morigaon HS and MP School ত পালন কৰা হয়। আমি বিদ্যালয় কেইখনৰ কৰ্তৃপক্ষ আৰু শ্ৰী বিমান দাসক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।







অসম বিজ্ঞান সমিতি মৰিগাঁও শাখাৰ উদ্যোগত
আৰু
ইক' ক্লাব, দন্দুৱা মজলীয়া বিদ্যালয়ৰ সহযোগত

## বিশ্ব পৰিবেশ দিৱস










OBSERVANCE OF
WORLD ENVIRONMENT DAY
5TH JUNE, 2025
Focal Theme:
Beat Plastic Pollution
JOIN US FOR:
- CLEANUP DRIVE AT SCHOOL PREMISES (11 AM)
- PLANTATION & AWARENESS RALLY (11.30AM)
- SEMINAR IN FOCAL THEME (12
School Auditorium & Grounds
PM SHRI Jamira HS School
Organised By
Assam Science Society Katlicherra Branch
Let's Make Katlicherra Plastic-Free!


ECO-CLUB
KATLICHERRA
MANIPUR HIGH SCHOOL
Supported by: MoEFCC, Govt. of India
State Nodal Agency : ASTE Council, Guwahati- 781005
Nodal Agency : AssamScience Society, Hailakandi Br.





Barkhetri Branch- World Environment Day , 2025 celebration some photographs .. Jointly organised by Barkhetri Branch , A. Sc. So. and Aryabhatta Science Centre, Barkhetri Block at GNM School of Nursing ,Mukalmua , Nalbari
















পিছলা শাখাঃ 'বিশ্বব্যাপী প্লাষ্টিক প্ৰদূষণৰ অন্ত পেলাওঁ' গতিকে সকলোয়ে যিমান পাৰে প্লাষ্টিক বৰ্জন কৰিবলৈ চেষ্টা কৰিব লাগে, ইতিমধ্যে microplastic এ স্বাস্থ্য খণ্ডত বিৰূপ প্ৰভাৱ পেলাইছে। অলপ দিনৰ আগতে এটা বাতৰি পঢ়িছিলো, প্লাষ্টিকৰ nano particles গাখীৰতো পোৱা গৈছে। গতিকে সকলো সাৱধান হওক, বৃক্ষৰোপণেৰে প্ৰাকৃতিক পৰিবেশ ৰক্ষা কৰো, নিৰ্মল বায়ু পানীৰ ব্যৱস্থা কৰো, তেতিয়াহে আমাৰো স্বাস্থ্য ৰক্ষা পৰিব। সু-স্বাস্থ্য অবিহনে কোনো কাম কৰিব নোৱাৰি। গতিকে, সকলোয়ে চেষ্টা কৰো, প্লাষ্টিক প্ৰদূষণ নিয়ন্ত্ৰণ কৰি গছ বিৰিখেৰে আমাৰ পৰিৱেশ সুন্দৰ কৰি ভৱিষ্যত প্ৰজন্মৰ বাবেও এই ধৰাক জীৱৰ উপযোগী কৰি ৰাখোঁ।



অসমীয়া প্ৰতিদিন

অসমীয়া প্ৰতিদিন ■ গুৱাহাটী ■ বৃহস্পতিবাৰ, ১২ জুন, ২০২৫/২৮ জেঠ, ১৯৪৭ শক

পিছলা শাখা বিজ্ঞান সমিতিৰ উদ্যোগ

**শংকৰদেৱৰ কলেজত গছপুলি ৰোপণ**

প্ৰতিদিন সেৱা-বিশেষ সংবাদ, নাৰায়ণপুৰ-বান্দৰদেৱা, ১১ জুন ঃ অসম বিজ্ঞান সমিতিৰ শাখা পিছলা শাখা বিজ্ঞান সমিতিৰ উদ্যোগত পথালিপাহাৰৰ শংকৰদেৱ মহাবিদ্যালয়ত বিশ্ব পৰিবেশ দিৱস উদযাপন কৰা হয়। এই উপলক্ষে পিছলা শাখা বিজ্ঞান সমিতিৰ সভাপতি ড° লক্ষীৰাম ভূঞাৰ সভাপতিত্বত অনুষ্ঠিত সভাত শংকৰদেৱ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সোণাৰাম কলিতাই আদৰণী ভাষণ দিয়ে। শংকৰদেৱ মহাবিদ্যালয়ৰ পৰিবেশ সুৰক্ষা গোটৰ সমন্বয়ক তথা অধ্যাপক প্ৰবীণ বৰাই আঁত ধৰা সভাত পিছলা শাখা বিজ্ঞান সমিতিৰ সভাপতি ড° লক্ষীৰাম ভূঞাই বিশ্ব পৰিবেশ দিৱসৰ মূল বিষয়বস্তু বিষয়ত ভাষণ দিয়ে। অনুষ্ঠানত পিছলা শাখা বিজ্ঞান সমিতিৰ কাৰ্যকৰী সভানেত্ৰী অমি বৰা শইকীয়াই শলাগৰ শৰাই আগবঢ়ায়। দিৱসৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ চৌহদত শতাধিক মূল্যবান গছপুলি ৰোপণ কৰা হয়।



**ছয়গাঁও শাখাঃ আজি ৫ জুন,** বৃহস্পতিবাৰে ছয়গাঁও চম্পক নগৰ ছোৱালী হাইস্কুলত অসম বিজ্ঞান সমিতি, ছয়গাঁও শাখাৰ উদ্যোগত আৰু ছয়গাঁও চম্পক নগৰ ছোৱালী হাইস্কুলৰ সহযোগত দিনজোৰা কাৰ্য্যসূচীৰে বিশ্ব পৰিবেশ দিৱস উদযাপন কৰা হয়। ৰাতিপুৱা ১০ বজাত এটি নিম গছৰ পুলি ৰোপনেৰে কাৰ্য্যসূচী আৰম্ভ কৰা হয়। দিৱসৰ লগত সংগতি ৰাখি বৃহত্তৰ ছয়গাঁও অঞ্চলৰ বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ - ছাত্ৰীৰ মাজত ক শাখা ( পঞ্চমৰ পৰা সপ্তমলৈ) আৰু খ শাখা ( নৱম আৰু দশম) শ্ৰেণীৰ ছাত্ৰ ছাত্ৰীৰ মাজত আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতাৰ ক শাখাত প্ৰথম , তৃতীয় স্থান লাভ কৰে ক্ৰমে পাহি কলিতা; ছয়গাঁও দ্বিতীয় আৰু চম্পক নগৰ ছোৱালী হাইস্কুল, নিশিতা দাস; ছয়গাঁও চম্পক নগৰ ছোৱালী হাইস্কুল আৰু নিৰ্মলা দাস; ছয়গাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়। আনহাতে খ শাখাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে মৃদুল বৰকাকতি;ছয়গাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়, ছায়াশ্ৰী কলিতা; ছয়গাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু প্ৰিন্সী বৰকাকতি; ছয়গাঁও চম্পক নগৰ ছোৱালী হাইস্কুল।

আবেলি ১ বজাৰ পৰা অনুষ্ঠিত মুকলি তথা বঁটা বিতৰণী সভাত সভাপতিত্ব কৰে শাখাৰ সভাপতি শ্ৰী অম্বিকা প্ৰসাদ দেৱ শৰ্মাই আৰু উদ্দেশ্য বাখ্যা কৰে শাখা সম্পাদক শ্ৰী দীনেশ চন্দ্ৰ কলিতাই। উদ্দেশ্য বাখ্যা কালত শ্ৰী কলিতাই এই বছৰ বিশ্ব পৰিবেশ দিৱসৰ মূল বিষয় 'প্লাষ্টিক প্ৰদূষণ ৰোধ কৰোঁ আহক' বিষয়ৰ ওপৰত ছাত্ৰ ছাত্ৰী সকলক উদ্দেশ্যি বক্তব্য ৰাখে। মুকলি সভাত বিশিষ্ট অতিথি ড: সূৰ্য্য কলিতা; অৱসৰী অধ্যাপক, বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় বিভিন্ন উদাহৰণৰে ছাত্ৰ ছাত্ৰী সকলৰ মনোগ্ৰাহীকৈ প্লাষ্টিক ব্যৱহাৰৰ 4R সম্পৰ্কত বক্তৃতা ৰাখে। আন এজন সন্মানীয়অতিথি শ্ৰী ৰাজেন্দ্ৰ কলিতা ; কেন্দ্ৰীয় ভূ জল বোৰ্ডৰ অৱসৰী বিজ্ঞানী তথা অসম বিজ্ঞান সমিতি, ছয়গাঁও শাখাৰ প্ৰতিষ্ঠাপক সম্পাদক উপস্থিত থাকি পৰিবেশ প্ৰদূষণৰ বিভিন্ন দিশ ছাত্ৰ ছাত্ৰী সকলৰ মনোগ্ৰাহী হোৱাকৈ বাখ্যা কৰে। সভাত উপস্থিত থকা আন আন বিশিষ্ট ব্যক্তি সকল হ'ল: শ্ৰী ৰেণু দাস, ড: নগেন কলিতা, শ্ৰী গীৰিশ কলিতা, কিৰণ কলিতা, দিলীপ শৰ্মা, যতীন গোস্বামী, লক্ষ্যধৰ কলিতা, সুভাষ মেধি, হৰেশ্বৰ ৰাভা, প্ৰভাত শৰ্মা আৰু তাৰিণী দাস।

## বৰছলা শাখা






## পুব-কামৰূপ শাখাঃ



### বাইহাটা চাৰিআলিৰ পিঙ্গলেশ্বৰৰ মাজগাঁও হাইস্কুলত গ্ৰাম্য বিজ্ঞান মেলা সম্পন্ন

by Hemanta Sarmah on behalf of Jagravi Enterprise from 47, Ganesh Mandir Path, Byiane - 2, Jaya Nagar, Khanapara, Guwahati - 22, Printed at A.M.S. Printers, Dalbari, Satgaon, Guwahati-71, ... Mail ID - ganasangbad56@gmail.com



### মাজগাঁও হাইস্কুলত গ্ৰাম্য বিজ্ঞান মেলাৰ সামৰণি

গণ বাৰ্তা, দুমুনিচকী, ১৮ জুনঃ কামৰূপ জিলাৰ কৰৰা শিক্ষা খণ্ডৰ অন্তৰ্গত মাজগাঁও হাইস্কুলত কালিৰ পৰা আৰম্ভ হোৱা দুদিনীয়া গ্ৰাম্য বিজ্ঞান মেলাৰ আজি সামৰণি পৰে। অসম চৰকাৰৰ বিজ্ঞান প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ সাহায্যত অসম বিজ্ঞান সমিতিৰ উদ্যোগত আৰু অসম বিজ্ঞান সমিতিৰ পুব কামৰূপ শাখাৰ সহযোগত এই দুদিনীয়া গ্ৰাম্য বিজ্ঞান মেলাৰ আয়োজন কৰা হৈছিল। আজি দ্বিতীয় দিনা মাজগাঁও হাইস্কুলৰ প্ৰধান শিক্ষক হেমন্ত কুমাৰ শৰ্মাৰ সঞ্চালনাত মুকলি সভা আৰু বঁটা বিতৰণ অনুষ্ঠান অনুষ্ঠিত হয়। অসম বিজ্ঞান সমিতিৰ পুব কামৰূপ শাখাৰ সভাপতি পুব কামৰূপ মহাবিদ্যালয়ৰ অধ্যাপক আহেজ আলীয়ে মুকলি সভাত আদৰণী ভাষণ প্ৰদান কৰে। মুকলি সভাৰ সন্মানীয় ব্যক্তি বকো জে এন কলেজৰ অৱসৰী সহযোগী অধ্যাপক তথা অসম বিজ্ঞান সমিতিৰ প্ৰাক্তন উপ-সভাপতি ড° অৰুণ কুমাৰ দাসে 'গ্ৰাম্য বিজ্ঞান মেলা' শীৰ্ষক বক্তৃতা প্ৰদান কৰি কয় যে বিজ্ঞান হৈছে সৃষ্টিৰ প্ৰধান অংগ। বিজ্ঞান অবিহনে মানৱ জাতিৰ মূল্য অৰ্থহীন হিচাপে ধৰি লোৱা হয়। দৈনন্দিন জীৱনত বিজ্ঞান অপৰিহাৰ্য। সমগ্ৰ বিশ্ববাসীয়ে বিজ্ঞানক আদৰি ল'বলৈ বাধ্য হৈছে। তথাপি কিছুমান দিশত বিজ্ঞানক বাদ দি পুৰণিকলীয়া ব্যৱস্থাৰে চলি থকাৰ নিয়ম মানি চলা হৈছে। এই ক্ষেত্ৰত অসম বিজ্ঞান সমিতিৰ পুব কামৰূপ শাখাই যথেষ্টখিনি কাম কৰিছে যদিও আৰু কৰিবলগীয়া আছে। বিজ্ঞানৰ সৃষ্টি আৰু জনপ্ৰিয়তা গ্ৰাম্য অঞ্চলত লৈ যোৱাৰ সেতু নিৰ্মাণ কৰিব লাগিব অসম বিজ্ঞান সমিতিয়ে। মুকলি সভাত বহুকেইগৰাকী আমন্ত্ৰিত ব্যক্তি উপস্থিত থকাৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। আজি পুৱা বাইহাটা চাৰিআলিৰ জখলা প্ৰডাকচনৰ পৰিচালনাত স্বাস্থ্য সচেতনতা আৰু পৰিবেশ সজাগতামূলক বাটৰ নাট প্ৰদৰ্শন কৰা হয়। অসম বিজ্ঞান সমিতিৰ সচিব তথা কামৰূপ বিদ্যাপীঠ হাইস্কুলৰ অৱসৰী প্ৰধান শিক্ষক আলতাফ হুছেইন খণ্ডকৰ, মুক্তাপুৰ হাইস্কুলৰ সহকাৰী শিক্ষয়িত্ৰী তথা অসম বিজ্ঞান সমিতিৰ পুব কামৰূপ শাখাৰ সহঃসচিব ৰেখাৰাণী শৰ্মা 'যাদুৰ অন্তৰালত বিজ্ঞান' শীৰ্ষক অনুষ্ঠানত সন্মানীয় ব্যক্তি হিচাপে উপস্থিত থাকে। যাদু একপ্ৰকাৰ বিজ্ঞান সেই দিশত ছাত্ৰ-ছাত্ৰীসকলৰ আগত দাঙি ধৰে সন্মানীয় ব্যক্তি দুজনে। সামৰণিত অসম বিজ্ঞান সমিতি, পুব কামৰূপ শাখাৰ সদস্যসকলৰ মত বিনিময় আৰু ভৱিষ্যৎ কাৰ্যসূচীৰ কল্পৰেখা নিৰ্ধাৰণ কৰা হয়।

The Assam Tribune

Dr Pegu assures all help to Assam Science Society

গণ অধিকাৰ

# অসম বিজ্ঞান সমিতিক সকলোধৰণৰ সহায়ৰ আশ্বাস শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ




# Minister Pegu assures substantial help for Assam Science Society

A CORRESPONDENT

GUWAHATI, June 8: State Education Minister Dr Ranoj Pegu, who paid a visit to Assam Science Society (ASS) on Sunday afternoon, assured to purchase its books and offer help urgently needed by the Society.

Minister Pegu had a cordial discussion with its newly-elected President Dr Arup Kumar Mishra, former president Dr Dhireswar Kalita, Secretary Mrinal Hazarika, and other office bearers of the society who had assembled there in connection with its executive meeting. President Dr Mishra apprised Minister Pegu about the financial crisis currently being faced by the society.

In reply, Dr Pegu assured to buy the books published by the Society under Taburam Taid Library Foundation. He further assured to distribute the science magazine 'Bigyan Jeuti' published by the society to 4,300 schools through Sarva Shiksha Abhiyan (SSA).

When it was brought to the notice of the minister that the mobile science laboratory of Rashtriya Madhyamik Shiksha Abhiyan (RMSA) was lying in dilapidated condition due to its discontinuation, he assured that it would be made operational under Samagra Shiksha Abhiyan for the larger interests of the students. Dr Pegu expressed satisfaction while strolling in the spacious campus of Assam Science Society and expressed hope that under the leadership of Dr Arup Kumar Mishra, who is also the Chairman of Assam Pollution Control Board, ASS would become a vibrant organization and take a lead in the field of science and technology.

**Ranoj Pegu**
37m

আজি খানাপাৰাস্থিত অসম বিজ্ঞান সমিতিৰ মুখ্য কাৰ্যালয়ত উপস্থিত হৈ সমিতিখনৰ নৱগঠিত কাৰ্যনিৰ্বাহক সমিতিৰ সৈতে আলোচনাত মিলিত হওঁ আৰু কিদৰে বিজ্ঞান সমিতি আৰু বিদ্যালয় শিক্ষা বিভাগৰ মাজত এক বুজাবুজিৰ জৰিয়তে আমাৰ বিদ্যালয়সমূহত বিজ্ঞান শিক্ষাৰ প্ৰসাৰ আৰু প্ৰচাৰ ঘটাব পাৰি, সেই বিষয়ে আলোচনা কৰোঁ।
Himanta Biswa Sarma
CMO Assam







দৈনিক অসম



# অসম বিজ্ঞান সমিতিক সকলো ধৰণৰ সহায়ৰ আশ্বাস শিক্ষামন্ত্ৰীৰ

E, GUWAHATI 3

# Dr Pegu assures all help to Assam Science Society

STAFF REPORTER

GUWAHATI, June 9: State Education Minister Dr Ranoj Pegu, who paid a visit to Assam Science Society (ASS) on Sunday afternoon, assured to purchase its books and offer some other help urgently needed by the society.

Pegu had a cordial discussion with its newly elected president Dr Arup Kumar Mishra, immediate past president Dr Dhireswar Kalita, secretary Mrinal Hazarika and other office-bearers of the society who had assembled there in connection with its executive meeting.

Dr Mishra apprised Pegu about the financial crisis currently being faced by the society.

According to a press release issued by the Assam Science Society, Education Minister Dr Pegu has assured to buy the books published by the Society under Taburam Taid Library Foundation. He further assured to distribute the science magazine *Bigyan Jeuti* published by the society to 4,300 schools through Sarba Siksha Abhinan (SSA).

Again when it was brought to the notice of the minister about the mobile science laboratory of Rashtriya Madhyamik Shiksha Abhiyan (RMSA) lying in a dilapidated condition due to its discontinuation, he said that it would be made operational under Samagra Siksha Abhiyan (SSA) in the larger interest of the students.

Dr Pegu expressed satisfaction while visiting the campus of Assam Science Society and expressed the hope that under the able leadership of Dr Arup Kumar Mishra who is also the Chairman of Assam Pollution Control Board, the ASS would become a vibrant organization.

বেগ, সমাজৰ বিবেক

দৈনিক জনমভূমি

Date 09 Jun, 2025 - Dainik Janambhumi - 2


Image

অসম বিজ্ঞান সমিতিৰ কাৰ্যালয়ত মন্ত্ৰী ৰণোজ পেগু

# সমিতিৰ বিভিন্ন সমস্যা সমাধানৰ আশ্বাস

গুৱাহাটী, ৮ জুন ঃ শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে দেওবাৰে নিয়লি অসম বিজ্ঞান সমিতিলৈ গৈ ইয়াৰ গ্ৰন্থসমূহ ক্ৰয় কৰাৰ লগতে সমিতিৰ প্ৰয়োজনীয় আন কিছু সহায় আগবঢ়োৱাৰ আশ্বাস দিয়ে। মন্ত্ৰী পেগুৱে নৱনিৰ্বাচিত সভাপতি ড° অৰূপ কুমাৰ মিশ্ৰ, সদ্য প্ৰাক্তন সভাপতি ড° ধীৰেশ্বৰ কলিতা, সম্পাদক মৃণাল হাজৰিকাকে ধৰি অন্যান্য বিষয়ববীয়াসকলৰ সৈতে এক সৌহাৰ্দ্যপূৰ্ণ আলোচনাত মিলিত হোৱাৰ অন্তত এই ঘোষণা কৰে। সভাপতি ড° মিশ্ৰই মন্ত্ৰী ড° পেগুক সম্প্ৰতি অসম বিজ্ঞান সমিতিয়ে সন্মুখীন হোৱা আৰ্থিক সংকটৰ বিষয়ে অৱগত কৰে। পেগুৱে টাবুৰাম টাইদ লাইব্ৰেৰী ফাউণ্ডেশ্যনৰ অধীনত সমিতিয়ে প্ৰকাশ কৰা গ্ৰন্থসমূহ ক্ৰয় কৰাৰ আশ্বাস দিয়ে। তেওঁ লগতে সমিতিৰ দ্বাৰা প্ৰকাশিত বিজ্ঞান আলোচনী 'বিজ্ঞান জেউতি' সৰ্বশিক্ষা অভিযানৰ জৰিয়তে ৪৩০০খন বিদ্যালয়ত বিতৰণ কৰাৰ আশ্বাস দিয়ে। আনহাতে, ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ ভ্ৰাম্যমাণ বিজ্ঞান পৰীক্ষাগাৰটো এতিয়া বন্ধ অৱস্থাত পৰি থকাৰ কথা মন্ত্ৰীৰ দৃষ্টিগোচৰ কৰাত তেখেতে ছাত্ৰ-ছাত্ৰীৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত সমগ্ৰ শিক্ষা অভিযানৰ অধীনত ইয়াক পুনৰ কাৰ্যক্ষম কৰি তোলা হ'ব বুলি কয়। অসম বিজ্ঞান সমিতিৰ সভাপতি তথা অসম প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ অধ্যক্ষ ড° অৰূপ কুমাৰ মিশ্ৰৰ নেতৃত্বত অসম বিজ্ঞান সমিতিয়ে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত বাস্তাধনক দিক নিৰ্দেশনা দিবলৈ সক্ষম হ'ব বুলি মন্ত্ৰী ডাঃ পেগুৱে আশা প্ৰকাশ কৰে।

## ৮ জুন, ২০২৫ তাৰিখে অসম বিজ্ঞান সমিতিৰ মুখ্য কাৰ্যালয়ত হোৱা কাৰ্যনিৰ্বাহক কমিটিৰ ২য় সংখ্যক সভাৰ কিছু আলোকচিত্ৰ



























# মাননীয় শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগু মহোদয়ৰ অবিস ৰ মুখ্য কাৰ্যালয় পৰিদৰ্শন





আজি ৮জুন, ২০২৫ তাৰিখে মাননীয় শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগু মহোদয়ে অসম বিজ্ঞান সমিতিৰ মুখ্য কাৰ্যালয় পৰিদৰ্শন কৰে আৰু অসম বিজ্ঞান সমিতিৰ কাৰ্যকৰ্তাসকলৰ লগত অসমৰ বিজ্ঞান শিক্ষা ব্যৱস্থা সম্পৰ্কত আলোচনাত মিলিত হয় তথা সমিতিৰ কিতাপ ক্ৰয়, বিজ্ঞান জেউতি অসমৰ বিদ্যালয় সমূহত বিনামূলীয়া বিতৰণ, সমিতিৰ মুখ্য কাৰ্যালয়ত থকা ভ্ৰাম্যমান বিজ্ঞান পৰীক্ষাগাৰ ভেনখনৰ মেৰামতি আদি বিষয়ত বিতং আলোচনা কৰে।













## বৰঙাবাৰীৰ চাৰেঙ্গীয়াত হোৱা যিকোনো ঠাইতে জুই জ্বলা ঘটনা: ক্ষেত্ৰ অধ্যয়নৰ ৰিপৰ্ট

আজি ৯/৬/২০২৫ তাৰিখে পূৱা ১১ বজাত বৰঙাবাৰীৰ চাৰেঙ্গীয়াৰ শ্ৰী গনেশ শইকীয়াৰ ঘৰত হোৱা যিকোনো ঠাইতে জুই জ্বলা ঘটনাটোৰ এটা অনুসন্ধান নিজে গৈ কৰো । আমাৰ লগত সহযোগ কৰে বন্ধু শ্ৰী গোলাপ শইকীয়াই । দুয়োগৰাকীয়ে ঘৰ খনলৈ গৈ গৃহস্থক লগ কৰাত কোৱা সকলো খিনি কথা ৰেকৰ্ডিং কৰি আনো । গৃহস্থই প্ৰকাশ কৰা মতে চলিত মাহৰ ১ তাৰিখৰ পৰা পৰ্যায় ক্ৰমে ঘটনা বিলাক সংঘটিত হৈ আহিছে । প্ৰথমে মুলঘৰ খনৰ পিছফালে থকা খেৰৰ ঘৰটো সন্ধ্যা ৭ মান বজাত হঠাৎ জ্বলি উঠিল । প্ৰথমে বোৱাৰীয়েকে দেখি হুলস্থুল লগালে । সকলো ওলাই গৈ ওচৰতে থকা পানীৰ মটৰ চলাই , দুটা টেংকিত থকা পানী ব্যৱহাৰ কৰি ঘৰটোৰ জুই নুমুৱালে । ঘৰটোৰ ভিতৰত থকা কাপোৰ , ৰেঞ্জাৰ চাইকেল খন ,ফেন সকলোবোৰ পুৰিলে । সেই নিশাটো তেনেকৈ গ'ল । তাৰ পিছৰ দিনা ৰাতি ১১ মান বজাত টিঙৰ ঘৰটোলৈ শিলগুটি দলিওৱাৰ ঘটনা । ৰাতি প্ৰায় শোৱা নোহোৱাকৈ পৰিয়ালৰ মানুহ খিনি থাকিল । পিছৰ দিনা IPL ৰ ফাইনেল খেল । চাৰি পাঁচ জন ল'ৰা গোট খাই সেইদিনা ৰাতি TV ত খেল চোৱাৰ লগতে আটাইকেইজনে মিলি খানা এটা খোৱাৰ আয়োজন চলিল । মাংস কাটিবলৈ পিছফালৰ পৰা দা আদি আনিবলৈ যাওঁতেই ল'ৰা এজনে দেখা পালে জমা কৰি থোৱা ধানৰ প্ৰায় ৮০ টা মান বস্তাৰ এটা মুৰত জুই লাগিছে । হুলস্থুল লাগিল । সকলোৱে পানী মাৰি জুই নুমুৱালে । গৃহস্থ ঘৰৰ নতুনকৈ ঘৰ বনোৱাৰ বাবে পুৰণা ঘৰটো ভাঙিব লগা হয় । সেয়েহে ধান খিনি তেনেদৰে ৰখা হৈছিল । তাৰ পিছৰ দিনা আৰু এটা ঘটনা ঘটিল । আবেলি ৩ বজাৰ পিছত কাষৰ ঘৰখনত থকা চাউলৰ বস্তাত জুই লাগিল । ঘৰখনত সমবায় পৰা অনা চাউল বিতৰণ কৰা হয় । লৰালৰিকৈ সকলো লাগি জুই নুমুওৱা হ' ল । ইতিমধ্যে ঘটনাটো প্ৰচাৰ মাধ্যমৰ জড়িয়তে প্ৰচাৰ হোৱাত পৰিয়ালৰ বিভিন্ন ঠাইৰ মানুহ ঘৰখনলৈ আহিবলৈ ধৰে । লগতে ওচৰ চুবুৰীয়াকে আদি কৰি মানুহৰ বৃহৎ সমাগম হয় । কোনোবা নিউজ চেনেলে ঘৰখনত অগ্নি বান মাৰিছে বুলিও প্ৰচাৰ চলোৱাত গৃহস্থই তাতে পতিয়ন যায় । এইখিনিতে ঘৰখনত হোৱা ঘটনাৰ শেষ হোৱা নাই। প্ৰতিদিনে দিন দুপৰতে গৃহস্থৰ কাপোৰ থোৱা ঠাইতে জ্বলি যোৱাৰ ধৰণৰ ঘটনা ঘটিয়েই আছে ।





এতিয়া আহো আমাৰ অনুভৱৰ কথা দুটা মান । ঘৰখনৰ মূল ব্যক্তি গৰাকীয় বৰ্তমান বয়স প্ৰায় ৮৩ বছৰ । ১৯৮৭ চনতে পিতৃৰ মৃত্যুৰ পিছতেই ব্ৰহ্মপূত্ৰ চাপৰিত অকলে থাকি খেতি কৰা এগৰাকী সাহসী লোক । তেখেতৰ মুখৰে শুনা কথা খিনিৰ আধাৰত আমাৰ মনত প্ৰশ্ন হয় । কোনো এটা ঘটনা কাৰক নোহোৱাকৈ নঘটে । **জুই জ্বলাৰ নিচিনা ঘটনা এটাত নিশ্চয়কৈ কোনো ব্যক্তি জড়িত হৈ থাকিব লাগিব** ।তেওঁ হয় বাহিৰৰ কোনোবা হ'ব পাৰে নহ'লে ঘৰখনৰ পৰিয়ালয়ৰ মাজৰ হ'ব পাৰে । সুক্ষ্মভাৱে নিৰীক্ষণ কৰিলে আচল ঘটনাটো পোহৰলৈ নিশ্চয় অহিব । তেখেত সকলৰ মাজৰ পৰা ধাৰণা কৰা কোনো অপ- দেৱতা বা অগ্নিবানৰ ধাৰণা হয়তো দুই এটা দিনৰ পিছতে পৰিস্কাৰ হৈ ওলাই পৰিব । তেনে কিছু কথাৰে মূল ব্যক্তি গৰাকীৰ লগত কথা পাতি আমি ঘৰমুৱা হ'লো । ঘৰখনলৈ গৈ গম পোৱা কথাখিনি অকনমানো সলনি নকৰাকৈ প্ৰেৰণ কৰিলো । এটি বিনম্ৰ আহবান - এই ক্ষেত্ৰত কোনো ব্যক্তি বিশেষেই হওক বা কোনো প্ৰচাৰ মাধ্যমেই হওক অনুমানৰ ওপৰত সমাজত নেতিবাচক প্ৰভাৱ পেলাব পৰা কথা প্ৰচাৰ নকৰে যেন ।

# ভুত নে ভ্ৰম! অচিন আতংকত বিদ্যালয় এৰিছে একাংশ ছাত্ৰীয়ে

■ আমবাগান উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ত অসম বিজ্ঞান সমিতিৰ প্ৰতিনিধি দল

'আমাৰ অসম'ৰ কলিয়াবৰৰ প্ৰতিবেদক, ৯ জুন ঃ কলিয়াবৰৰ আমবাগান উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ দশমমানৰ কেইবাগৰাকীও ছাত্ৰী শ্ৰেণীকোঠাত বিগত দুটাকৈ দিনত অচেতন হৈ পৰাৰ উপৰি দুগৰাকী ছাত্ৰীয়ে কৰা অস্বাভাৱিক আচৰণৰ গইনা লৈ ন্যস্ত স্বাৰ্থ মহলে ঘটনাটোক ভৌতিক ক্ৰিয়া-কলাপৰ বিষয় বুলি প্ৰচাৰ কৰাকৈলে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ সময়তে আজি বিদ্যালয় খনত উপস্থিত হৈছে অসম বিজ্ঞান সমিতিৰ এটা প্ৰতিনিধি দল। কলিয়াবৰ শাখা বিজ্ঞান সমিতিৰ সম্পাদক ভূপেন শৰ্মাৰ নেতৃত্বত যোৱা প্ৰতিনিধি দলটোৱে বিদ্যালয়খনৰ পৰিৱেশ অধ্যয়ন কৰাৰ লগতে প্ৰধান শিক্ষকগৰাকীৰ সৈতে আলোচনাত মিলিত হয়। বিদ্যালয়খনৰ প্ৰধান শিক্ষকগৰাকীৰ মতে— বিদ্যালয়খনৰ কিছুসংখ্যক শিক্ষাৰ্থী শাৰীৰিকভাৱে কিছু দুৰ্বল হোৱাৰ উপৰি কোনো কোনোৱে ভালকৈ খাই-বৈ নাহে। তদুপৰি দশমমানৰ কোঠাৰ সমুখৰ নৱনিৰ্মিত এটা কোঠাৰ টিনপাতত পৰা ৰ'দৰ প্ৰতিফলনে শিক্ষাৰ্থীৰ চকুত ধৰাত আৰু খিৰিকীৰে অহা পোহৰৰ প্ৰতিফলনৰ বাবে ব্লেক বৰ্ডৰ আখৰ পঢ়িবলৈ অসুবিধা হোৱা বাবে তাৰ পৰা বাচিবলৈ দুৱাৰ আৰু খিৰিকী বন্ধ কৰি লৈছিল। তাতে গৰমৰ দিন হোৱা বাবে কোঠাটোত এটা অসহনীয় অৱস্থাৰ সৃষ্টি হোৱা বাবেই এই ঘটনা ঘটে বুলি সন্দেহ কৰিছে। ইয়াকে লৈ কোনোৱে ভৌতিক ঘটনা বুলি বেজ মাতি অনাত আৰু স্থানীয় উপস্থিত ৰাইজৰো একাংশই বেজৰ কথাত উজান দিয়াত পৰিস্থিতি উত্তেজনাপূৰ্ণ হয় বুলি স্বীকাৰ কৰে। প্ৰধান শিক্ষকগৰাকীয়ে সদ্যহতে শ্ৰেণীকোঠাটো সলনি কৰা হৈছে বুলি প্ৰতিনিধি দলটিক জানিবলৈ দিয়ে। প্ৰতিনিধি দলটিয়ে পূৰ্বৰ শ্ৰেণীকোঠাটো নিৰীক্ষণ কৰি পায় যে ২০-২৫ বৰ্গফুটৰ কোঠাটোত ৬৫গৰাকী শিক্ষাৰ্থীয়ে পাঠ গ্ৰহণ কৰে। তদুপৰি কোঠাটোত খিৰিকীৰ সংখ্যা কম। প্ৰতিনিধি দলটোৱে বিদ্যালয়ৰ প্ৰধান শিক্ষকক শ্ৰেণীকোঠাটো পাঠদানৰ উপযোগী কৰিবলৈ পৰামৰ্শ দিয়াৰ উপৰি বেজৰ অবৈজ্ঞানিক কথাৰে পৰিচালিত নহ'বলৈ আহ্বান জনায় আৰু প্ৰয়োজনত আৰক্ষীৰ সহায় ল'বলৈ পৰামৰ্শ আগবঢ়ায়। চৰকাৰী এই বিদ্যালয়খনৰ শিক্ষাৰ্থীৰ সংখ্যা কমাবলৈও ন্যস্ত স্বাৰ্থ মহলে এই ভূত-প্ৰেতৰ প্ৰচাৰ চলোৱা বুলি প্ৰতিনিধি দলটোৱে সন্দেহ প্ৰকাশ কৰে।



বিদ্যালয়খন পৰ্যবেক্ষণ কৰিছে অসম বিজ্ঞান সমিতিৰ প্ৰতিনিধি দলে

# ভূতৰ ভয়! বিদ্যালয় এৰিছে ছাত্ৰীয়ে

নিজা বাতৰি দিওঁতা

১৩ পৃষ্ঠাত চাওক

আমবাগান উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ত অসম বিজ্ঞান সমিতিৰ সজাগতা

## ভূতৰ ভয়! বিদ্যালয় এৰিছে ছাত্ৰীয়ে

আমবাগান উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ত ছাত্ৰী অচেতন হোৱাৰ ঘটনা

# অসম বিজ্ঞান সমিতিৰ ক্ষেত্ৰভিত্তিক অধ্যয়ন

## ঘটনাক ৰহণ দিয়াৰ চেষ্টা ন্যস্তস্বাৰ্থ

সহায় ল'বলৈ পৰামৰ্শ আগবঢ়ায়। চৰকাৰী এই বিদ্যালয়খনৰ শিক্ষাৰ্থীৰ সংখ্যা কমাবলৈও ন্যস্তস্বাৰ্থ মহলে এই ভূত-প্ৰেতৰ প্ৰচাৰ চলোৱা বুলি প্ৰতিনিধি দলটোৱে সন্দেহ প্ৰকাশ কৰে। উল্লেখযোগ্য যে প্ৰতিনিধি দলটোৱে ভুক্তভোগী শিক্ষাৰ্থীৰ চিকিৎসকৰ পৰাও জানিব পাৰে যে শিক্ষাৰ্থীসকলৰ শাৰীৰিক কোনো অসুস্থতা নাই। বেজ-বেজালিৰ চৰ্চাই প্ৰাধান্য পোৱা বাবে বা অতিপাত গৰমৰ বাবে সাময়িক মানসিক চাপৰ বাবে এনেকুৱা হ'ব পাৰে। উল্লেখযোগ্য যে এই ঘটনাৰ পাছত বিদ্যালয়খনত শিক্ষাৰ্থীৰ উপস্থিতি কমিছে। প্ৰতিনিধি দলটিক প্ৰধান শিক্ষকে জানিবলৈ দিয়ে যে আজিৰ দিনটোত দশমৰ শ্ৰেণীকোঠাত মাত্ৰ দুগৰাকী ছাত্ৰীহে উপস্থিত আছে আৰু বাকী শ্ৰেণীসমূহতো আধাসংখ্যক শিক্ষাৰ্থীয়েই উপস্থিত নাই। বিজ্ঞান সমিতিৰ প্ৰতিনিধি দলটোৱে আমবাগান আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াগৰাকীক লগ ধৰি বেজ-বেজালিৰ প্ৰভাৱে যাতে বিদ্যালয়খনক অসুবিধাত নেপেলায় তাৰ প্ৰতি নজৰ দিবলৈ অনুৰোধ জনায়। অসম বিজ্ঞান সমিতিৰ প্ৰতিনিধি দলটিত অসম বিজ্ঞান সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য তথা কলিয়াবৰ শাখা বিজ্ঞান সমিতিৰ সম্পাদক ভূপেন শৰ্মা, প্ৰাক্তন যুটীয়া সচিব পংকজ কুমাৰ বৰুৱা, বিজ্ঞান সমিতিৰ আজীৱন সভ্য ভবেন্দ্ৰ বৰুৱা, অসম বিজ্ঞান সমিতিৰ আমবাগান শাখাৰ সভাপতি ৰতন মণ্ডল আৰু সদস্য হৰিশ মণ্ডলে অংশগ্ৰহণ কৰে।

আমবাগান হাইস্কুল বালিকা বিদ্যালয়ত ছাত্ৰীৰ অসুস্থতাৰ ঘটনা

# ঘটনাক ৰহণ দিয়াৰ চেষ্টা ন্যস্তস্বাৰ্থ মহলৰ


**বিদ্যালয়ত উপস্থিত অসম বিজ্ঞান সমিতিৰ প্ৰতিনিধি দল**

নিয়মীয়া বাৰ্তা, কলিয়াবৰ, ১০ জুনঃ ২৮ মে' আৰু ৬ জুনত আমবাগান উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ দশম শ্ৰেণীৰ কেইবাগৰাকীও ছাত্ৰী শ্ৰেণীকোঠাত অচেতন হৈ পৰাৰ উপৰি দুগৰাকী ছাত্ৰীয়ে কৰা অস্বাভাৱিক আচৰণৰ গইনা লৈ ন্যস্তস্বাৰ্থ মহলে ঘটনাটোক ভৌতিক ক্ৰিয়াকলাপৰ বিষয় বুলি প্ৰচাৰ হোৱাত ঘটনাটো অধ্যয়নৰ বাবে অসম বিজ্ঞান সমিতিৰ এটা প্ৰতিনিধি দল কালি বিদ্যালয়খনত উপস্থিত হয়। বিদ্যালয়খনৰ প্ৰধান শিক্ষকগৰাকীৰ মতে বিদ্যালয়খনৰ কিছুসংখ্যক শিক্ষাৰ্থী শাৰীৰিকভাৱে কিছু দুৰ্বল হোৱাৰ উপৰি কোনো কোনোৱে ভালকৈ খাই-বৈ নাহে। তদুপৰি দশম শ্ৰেণীৰ কোঠাৰ সন্মুখৰ নৱনিৰ্মিত এটা কোঠাৰ টিনপাতত পৰা ৰ'দৰ প্ৰতিফলনে শিক্ষাৰ্থীৰ চকুত ধৰাত আৰু খিৰিকীৰে অহা পোহৰৰ প্ৰতিফলনৰ বাবে ব্লেক বৰ্ডৰ আখৰ পঢ়িবলৈ অসুবিধা হোৱা বাবে তাৰ পৰা বাচিবলৈ দুৱাৰ আৰু খিৰিকী বন্ধ কৰি লৈছিল। তাতে গৰমৰ দিন হোৱা বাবে কোঠাটোত এটা অসহনীয় অৱস্থাৰ সৃষ্টি হোৱা বাবেই এই ঘটনা ঘটে। ইয়াক লৈ কোনোৱে ভৌতিক ঘটনা বুলি বেজ মাতি অনাত আৰু স্থানীয় উপস্থিত ৰাইজৰো একাংশই বেজৰ কথাত উজান দিয়াত পৰিস্থিতি উত্তেজনাপূৰ্ণ হয়। প্ৰধান শিক্ষকগৰাকীয়ে সদ্যহতে শ্ৰেণীকোঠাটো সলনি কৰা হৈছে বুলি জানিবলৈ দিয়ে। প্ৰতিনিধি দলটিয়ে পূৰ্বৰ শ্ৰেণীকোঠাটো নিৰীক্ষণ কৰি পায় যে ২০×২৫ বৰ্গফুটৰ কোঠাটোত প্ৰায় ৮০গৰাকী শিক্ষাৰ্থীয়ে পাঠগ্ৰহণ কৰে। তদুপৰি কোঠাটোত খিৰিকীৰ সংখ্যা কম। প্ৰতিনিধি দলটোৱে বিদ্যালয়ৰ প্ৰধান শিক্ষকক শ্ৰেণীকোঠাটো পাঠদানৰ উপযোগী কৰিবলৈ পৰামৰ্শ দিয়াৰ উপৰি বেজৰ অবৈজ্ঞানিক কথাৰে পৰিচালিত নহ'বলৈ আহ্বান জনায় আৰু প্ৰয়োজনত আৰক্ষীৰ

১৫ পৃষ্ঠাত

ছয়গাঁও শাখাঃ অসম বিজ্ঞান সমিতি, ছয়গাঁও শাখাৰ এটি সজাতি দলে অসম আৰু মেঘালয় চৰকাৰে কলহী নদীৰ শ্ৰী দ্ৰোন আৰু ঘগাৰ সংগম স্থলত নদীবান্ধ নিৰ্মাণ কৰি যি জলবিদ্যুৎ উৎপাদনৰ ব্যৱস্থা কৰিব বিচাৰিছে ,তাৰ পৰা হ'ব পৰা বিপদ- বান্ধৰ উজনি অংশত বহু পৰিয়াল গৃহহীন হোৱা, নামনি অঞ্চলত বাৰিষা কালত বান্ধৰ পানী এৰি দিলে প্ৰৱল বানপানী হোৱা, খৰালি কালত নদী শুকাই ইয়াৰ মাছ কাছ আৰু ইয়াৰ আৱাসী দুষ্প্ৰাপ্য নদীশিহু বিলুপ্ত হোৱা, কলহী নদীৰ বালিৰ উৎস বন্ধ হোৱা, প্ৰকৃতি ধ্বংস হৈ নদীৰ অববাহিকা অঞ্চলত কৃষি কাৰ্য বিঘ্নিত হোৱা আদি সম্ভাব্য বিপদৰ কথা উনুকিয়াই মাননীয় মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ ছয়গাঁও ৰাজহ চক্ৰৰ চক্ৰ বিষয়াৰ জৰিয়তে এই কাৰ্য্য বন্ধ কৰাৰ দাবী সন্মিলিত এখন স্মাৰক পত্ৰ দাখিল কৰে। সজাতি দলটোৰ শাখাৰ সভাপতি অম্বিকা প্ৰসাদ দেৱ শৰ্মা , সম্পাদক শ্ৰী দীনেশ চন্দ্ৰ কলিতাৰ ওপৰিও কিৰণ কলিতা , যতীন গোস্বামী, দিলীপ শৰ্মা, প্ৰভাত শৰ্মা আৰু নীৰেন কলিতাই সংগ দিয়ে।






নিয়মীয়া বাৰ্তা

## কুলশীৰ প্ৰকল্পৰ বিৰুদ্ধে মুখ্যমন্ত্ৰীক স্মাৰক ছয়গাঁও বিজ্ঞান সমিতিৰ

নিয়মীয়া বাৰ্তা, ছয়গাঁও, ১০ জুন ঃ অসম বিজ্ঞান সমিতি, ছয়গাঁও শাখাৰ এটি সঁজাতী দলে অসম আৰু মেঘালয় চৰকাৰে কুলশী নদীৰ শ্ৰী, দ্ৰোণ আৰু ঘোগাৰ সংগমস্থলত কাজি নদীবান্ধ নিৰ্মাণ কৰি যি জলবিদ্যুৎ উৎপাদনৰ ব্যৱস্থা কৰিব বিচাৰিছে তাৰ পৰা হ'ব পৰা বিপদ, বান্ধৰ উজনি অংশত বহু পৰিয়াল গৃহহীন হোৱা, নামনি অঞ্চলত বাৰিষা কালত বান্ধৰ পানী এৰি দিলে প্ৰবল বানপানী হোৱা, খৰালি কালত নদী শুকাই ইয়াৰ মাছ, কাছ আৰু ইয়াৰ আৱাসী দুষ্প্ৰাপ্য নদী শিহু বিলুপ্ত হোৱা, কলহী নদীৰ বালিৰ উৎস বন্ধ হোৱা, প্ৰকৃতি ধ্বংস হৈ নদীৰ অববাহিকা অঞ্চলত কৃষি কাৰ্য বিঘ্নিত হোৱা আদি সম্ভাব্য বিপদৰ কথা উনুকিয়াই মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ ছয়গাঁও ৰাজহ চক্ৰৰ চক্ৰ বিষয়াৰ জৰিয়তে এই কাৰ্য বন্ধ কৰাৰ দাবী সন্মিলিত এখন স্মাৰক-পত্ৰ দাখিল কৰে। সঁজাতী দলটোৰ শাখাৰ সভাপতি অম্বিকা প্ৰসাদ দেৱ শৰ্মা, সম্পাদক দীনেশ চন্দ্ৰ কলিতাৰ উপৰি কিৰণ কলিতা, যতীন গোস্বামী, দিলীপ শৰ্মা, প্ৰভাত শৰ্মা আৰু নীৰেন কলিতাই সংগ দিয়ে।

# সম্পদ ব্যৱস্থাপনা সমিতিৰ সভাখন ১৬ জুন, ২০২৫ তাৰিখ সোমবাৰে সন্ধিয়া ৭.০০ বজাত ভাৰ্চুৱেল মাধ্যম যোগে অনুষ্ঠিত হয়।






## সম্পদ ব্যৱস্থাপনা সমিতিৰ গোটৰ সভাখন ১৭ জুন, ২০২৫ তাৰিখে দুপৰিয়া ২.০০ বজাত কেন্দ্ৰীয় কাৰ্যালয়ত অনুষ্ঠিত হয়।







# আজি ২২ জুন, ২০২৫ তাৰিখে অসম বিজ্ঞান সমিতিৰ কেন্দ্ৰীয় কাৰ্যালয়ত হোৱা উপদেষ্টা সমিতিৰ সভাৰ কিছু আলোকচিত্ৰ।
























স্থাপিত ঃ ১৯৫৩
Estd. : 1953

২১ নম্বৰ আইন (১৮৬০) ৰ অধীনত পঞ্জীভূক্ত

# অসম বিজ্ঞান সমিতি
# ASSAM SCIENCE SOCIETY

(Regd. Under Societies Registration Act XXI of 1860. Regd No. 49 of 1960-61)
Head Office : Jawaharnagar, Khanapara, Guwahati - 781022, Assam, India
☎ : (0361) 2363258, E-mail : gsass2014@gmail.com

নং-অবিস/প্রস/২০২৫-২৬/১২১ তাৰিখঃ ২৩-০৬-২০২৫

প্রেৰকঃ

শ্রী মৃণাল কুমাৰ হাজৰিকা

প্রধান সচিব

প্রতি

**সভাপতি/সম্পাদক**

**সমূহ শাখা, অসম বিজ্ঞান সমিতি**

বিষয়ঃ অসম বিজ্ঞান সমিতিৰ পুথিৰ টোপোলা বিতৰণ সম্পৰ্কত।

মহাশয়/মহাশয়া

নমস্কাৰ গ্ৰহণ কৰিব।

পত্ৰযোগে আপোনালোকক জনাওঁ যে, অসম বিজ্ঞান সমিতিৰ যিসমূহ শাখাৰ নিজা কাৰ্যালয় গৃহ আছে, সেই সমূহ শাখাক নিজ কাৰ্যালয়ত এটি গ্ৰন্থাগাৰ গঢ়ি তুলিবলৈ আহ্বান জনোৱা হ'ল। এই সম্পৰ্কত কাৰ্যনিৰ্বাহক কমিটিয়ে প্ৰতিটো শাখাৰ গ্ৰন্থাগাৰলৈ সমিতিৰ দ্বাৰা প্ৰকাশিত পুথিৰ টোপোলা বিনামূলীয়াকৈ দিবৰ বাবে এটি কাৰ্যসূচী হাতত লৈছে।

সেয়েহে শাখাসমূহে নিজ-নিজ কাৰ্যালয় গৃহত একোটিকৈ গ্ৰন্থাগাৰ গঢ়ি সমিতিৰ এই বিশেষ কাৰ্যসূচী সফল কৰি তুলিবলৈ আহ্বান কৰিলোঁ।

ইতি,
ধন্যবাদ সহকাৰে-

**(শ্রী মৃণাল কুমাৰ হাজৰিকা)**
প্রধান সচিব
অসম বিজ্ঞান সমিতি

Recipient of NCSTC'S National Award 1990 for popularisation of Science

আজি অসমৰ শিক্ষা মন্ত্ৰী ৰনোজ পেগু দেৱৰ আমন্ত্ৰণ অনুসৰি তেখেতৰ কাৰ্যলয়ত বিজ্ঞান জেউতি আৰু বিজ্ঞান সমিতিৰ প্ৰকাশিত গ্ৰন্থাৱলী অসমৰ মাধ্যমিক বিদ্যালয়ত দিয়াৰ বাবে আলোচনা কৰা হয় ।আলোচনাত এই বৰ্ষৰ বাবে পি এম শ্ৰী বিদ্যাল়য়সমূহত দিয়াৰ ব্যৱস্থা হয় আৰু অহা বৰ্ষৰ পৰা অসমৰ সকলো মাধ্যমিক বিদ্যাল়য়ত ব্যৱস্থা কৰা হয় ।আমি আশাবাদী আজিৰ আলোচনাই সমিতিৰ গতিশীলতাত নতুন মাত্ৰা দিব









দৈনিক অসম

জাতিৰ সেৱাত উৎসৰ্গিত (৬০) বছৰ

## বিজ্ঞান সমিতিৰ গ্ৰন্থাৱলী বিদ্যালয়ত যোগানৰ ব্যৱস্থা

গুৱাহাটী, ২৫ জুন ঃ শিক্ষামন্ত্ৰী ৰণোজ পেগুৰ কাৰ্যালয়ত আজি 'বিজ্ঞান জেউতি' আৰু অসম বিজ্ঞান সমিতিৰদ্বাৰা প্ৰকাশিত গ্ৰন্থাবলী ৰাজ্যৰ মাধ্যমিক বিদ্যালয়ত দিয়াৰ বিষয়ে আলোচনা কৰা হয়। আলোচনাত এই বৰ্ষৰ বাবে পি এম শ্ৰী বিদ্যালয়সমূহত এই গ্ৰন্থাবলী দিয়াৰ ব্যৱস্থা কৰা হয়। অহা বৰ্ষৰপৰা সকলো মাধ্যমিক বিদ্যালয়তে গ্ৰন্থাৱলী যোগান ধৰা হ'ব।

স্থাপিত : ১৯৫৩
Estd. : 1953

২১ নম্বৰ আইন (১৮৬০) ৰ অধীনত পঞ্জীভুক্ত

# অসম বিজ্ঞান সমিতি
# ASSAM SCIENCE SOCIETY

(Regd. Under Societies Registration Act XXI of 1860. Regd No. 49 of 1960-61)
Head Office : Jawaharnagar, Khanapara, Guwahati - 781022, Assam, India
☎ : (0361) 2363258, E-mail : gsass2014@gmail.com

নং-অবিস/প্ৰস/২০২৫-২৬/১২৫ তাৰিখঃ ২৫-০৬-২০২৫

প্ৰেৰকঃ

শ্ৰী মৃণাল কুমাৰ হাজৰিকা

প্ৰধান সচিব

প্ৰতি

**সভাপতি/সম্পাদক**

**সমূহ শাখা, অসম বিজ্ঞান সমিতি**

**বিষয়ঃ** গ্ৰীষ্মকালীন বন্ধত নৱম/দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সকলৰ বাবে বিজ্ঞান আৰু গণিত বিষয়ৰ কৰ্মশালা আয়োজন সম্পৰ্কত।

মহাশয়/মহাশয়া

নমস্কাৰ গ্ৰহণ কৰিব।

পত্ৰযোগে আপোনাক জনাওঁ যে, অসম বিজ্ঞান সমিতিয়ে সমিতিৰ শাখাসমূহৰ জৰিয়তে স্কুলসমূহৰ গ্ৰীষ্মকালীন বন্ধৰ সময়ছোৱাত নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বিজ্ঞান আৰু গণিত বিষয়ৰ কৰ্মশালা আয়োজন কৰা কাৰ্যসূচী হাতত ল'ব বিচাৰিছে। উল্লেখনীয় যে, সমিতিয়ে প্ৰতিখন জিলাৰে এটিকৈ শাখাৰ জৰিয়তে অতিকমেও ৩ দিনীয়া কাৰ্যসূচীৰে এই কৰ্মশালা আয়োজন কৰিব বিচাৰিছে। কৰ্মশালাৰ বাবে প্ৰয়োজনীয় ধনৰ এটি অংশ সমিতিৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ পৰা প্ৰদান কৰা হ'ব।

সেয়েহে উপৰোক্ত বিষয় সম্পৰ্কত ইচ্ছুক শাখাসমূহক ২ জুলাই, ২০২৫ তাৰিখৰ ভিতৰত সমিতিক জ্ঞাত কৰি পত্ৰ প্ৰেৰণ কৰিবলৈ আহ্বান জনোৱা হ'ল।

ইতি,
ধন্যবাদ সহকাৰে-

**(শ্ৰী মৃণাল কুমাৰ হাজৰিকা)**
প্ৰধান সচিব
অসম বিজ্ঞান সমিতি

# জাতীয় বিজ্ঞান পুঁজি

SOCIETY ASSAM SCIENCE
CENTRAL BANK OF INDIA
SIXMILE BRANCH
A/C NO. 5605774347
IFC CODE : CBIN0284213

অসম বিজ্ঞান সমিতিৰ 54 সংখ্যক দুলীয়াজানৰ অধিবেশনত সমিতি আৰ্থিক ভাৱে স্বাৱলম্বী হোৱাৰ বাবে **"জাতীয় বিজ্ঞান পুঁজি"** নামেৰে এটি পুঁজি গঠনৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল | তাৰেই ভিত্তিত কাৰ্যনিৰ্বাহক সমিতিয়ে সমিতিৰ কাৰ্যকৰী সভাপতিক(কুটুবুদ্দিন আহমেদ) সভাপতি আৰু প্ৰদীপ নেওঁগ আৰু অবনী দাসক আহ্বায়ক ৰূপে নিৰ্বাচিত কৰি এখন সমিতি গঠন কৰে |সমিতি খনৰ তৎপৰতাত ওপৰত উল্লেখ কৰা ধৰণে এটি একাউন্ট খোলা হৈছে |

গতিকে ইচ্ছুক সদস্য ক বৰঙণি আগবঢ়াবলৈ অনুৰোধ জনালোঁ |উল্লেখযোগ্য যে এই পূজিত আগবঢ়োৱা ধন আয়কৰ মুক্ত হব |

আশাকৰো সমিতিৰ সন্মানীয় সদস্য সকলে সহযোগিতা আগবঢ়াব |

ধন্যবাদেৰে
মৃণাল কুমাৰ হাজৰিকা
প্ৰধান সচিব
অ বি স

# Jatiya Bigyan Punji

SOCIETY ASSAM SCIENCE
CENTRAL BANK OF INDIA
SIXMILE BRANCH
A/C NO. 5605774347
IFC CODE : CBIN0284213

In the 54th Duliajan session of the Assam Science Society, a proposal was adopted to set up a fund called **"Jatiya Bigyan Punji "** to make the Society financially self-reliant. On the basis of this, the Executive Committee formed a committee by electing the executive president of the committee (Kutubuddin Ahmed) as the president and Pradeep Neog and Abani Das as the convener. An account has been opened as mentioned above in the promptness of the committee.
So I request the interested members to contribute. It is worth mentioning that the money offered in this Fund will be free from income tax.

I hope the honourable members of the committee will cooperate.

With thanks
Mrinal Kumar Hazarika
General Secretary
Assam Science Society